School Leadership

বিদ্যালয়ৰ নেতৃত্ব

# Transforming teaching-learning process: leading teachers' professional development

# শিকন-শিক্ষণ প্ৰক্ৰি য়াৰ ৰূপান্তৰ ঘটোৱা ঃ শিক্ষকৰ বৃত্তিমূখী বিকাশত নেতৃত্বদান





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

এই স্কুল লিডাৰশ্বিপ অ' ই আৰ (মুক্ত শৈক্ষিক সম্পদ) হৈছে Tess Indiaৰ 20টা গোটৰ অন্যতম, যাৰদ্বাৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে নিজৰ বুজাশক্তি আৰু দক্ষতাৰ বিকাশ ঘটাই শিক্ষণ আৰু শিকনৰো উন্নতি কৰিব পাৰে। এই গোটটোত অনুশীলন অতি প্ৰয়োজনীয় আৰু কৰ্মীবৃন্দ শিক্ষাৰ্থী তথা অন্যান্য সকলেও ইয়াত সহযোগ কৰিব। এইবোৰ ফলপ্ৰসু বিদ্যালয়ৰ সন্দৰ্ভত কৰা গৱেষণা আৰু পাঠ্যত্ৰমিক অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল।

নিৰ্দিষ্ট গোট অধ্যয়নৰ কোনো নিৰ্দেশনা নাই যদিও স্কুল লিডাৰশ্বিপে গোটেই বিষয়টো অধ্যয়ন তথা শিক্ষণ-শিকণৰ উপযুক্ত কাৰ্যব্যৱস্থাৰ যোগান ধৰে। আপোনালোকে গোটটো অধ্যয়নৰ বাবে বিশেষ বিষয়বস্তুৰ সহায় ল'ব পাৰে। নেচনেল কলেজ অৱ স্কুল লিডাৰশ্বিপৰ পাঠ্যত্ৰমিক পৰিকাঠামোৰ সৈতে সংঘবদ্ধ এই গোটটোৰ মূল দিশ হ'ল ঃ স্কুল লিডাৰশ্বিপত ইয়াৰ প্ৰভাৱ (ক) নিজা নিয়ন্ত্ৰণ আৰু বিকাশ, (খ) শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন, (গ) অংশীদাৰিত্ব বৃদ্ধি। বাকীবোৰে কোনো বিশেষ গুৰুত্ব আৰোপ নকৰাকৈ নতুনত্বৰ সন্ধান কৰে।

এই গোটটো প্ৰধান শিক্ষকসকলে নিজা অধ্যয়ন অথবা শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। আনহাতে তেওঁলোকে ব্যক্তিগত শিক্ষণ দিনলিপিৰ ব্যৱস্থা কৰি তাৰপৰা হোৱা অভিজ্ঞতা আনৰ সৈতে ভাগ বতৰা কৰি লাভান্বিত কৰিব পাৰে। ইয়াত ব্যৱহৃত স্কুল লিডাৰ বাক্যাংশই প্ৰধান শিক্ষক, অধ্যক্ষ, সহকাৰী শিক্ষক অথবা বিদ্যালয়ৰ নেতৃত্ব বহনকাৰীৰ দৰে দায়বদ্ধ ব্যক্তিক বুজাইছে।

**ভিডিঅ' সম্পদ *Video resources***

*The* Tess Indiaৰ স্কুল লিডাৰশ্বিপে ভাৰতীয় বিদ্যালয়ৰ প্ৰধানসকলৰ বাৰ্তালাপৰ ভিডিঅ' কৰি সেইবোৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকণৰ পৰিৱৰ্তন তথা উন্নতিত অৰিহণা যোগাইছে। এই প্ৰচেষ্টাৰে তেওঁলোকে নিজৰ নিজৰ দক্ষতাৰ প্ৰমাণ কৰিবলৈ উৎসাহিত হ'ব। এইবোৰে শিক্ষকসকলক পাঠ্যপুথিৰ গোটভিত্তিক শিক্ষা প্ৰদানৰ বাবে উদগনি যোগাব, অৱশ্যে এইবোৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য নহয়।

Tess Indiaৰ ৱেবচাইট http://www.tess-india.edu.inৰ পৰা ডাউনলোড কৰি অথবা অনলাইনতে এই ভিডিঅ'সমূহ প্ৰত্যক্ষ কৰিব পাৰি। নতুবা চিডি আৰু মেম'ৰী কাৰ্ডটো ভিডিঅ'সমূহ লৈ চাব পাৰি।

Tess India প্ৰকল্পৰ বিষয়ে

ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ কৰ্তৃত্বশীল ব্যক্তিৰ সমৰ্থনত মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত প্ৰাথমিক আৰু উচ্চ শাখাৰ শিক্ষকৰ অনুশীলনৰ অভ্যাসৰ উন্নতি ঘটোৱাটোৱেই Tess Indiaৰ লক্ষ্য।

ভাষা, বিজ্ঞান আৰু গণিতসহ বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে ব্ৰজ্বাণ্ড Tess India বিষয়ৰ মুক্ত শৈক্ষিক সম্পদসমূহ শিক্ষকক যোগান ধৰা হয়। তেওঁলোকে শিক্ষকসকলক এনে কাম কাজৰ সুবিধা প্ৰদান কৰিব যাতে আন শিক্ষকে একেটা বিষয় শিকাওতে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান তথা বোধশক্তি তুলনামুলকভাৱে উন্নত হ'ব।

Tess Indiaৰ সকলো মুক্ত শৈক্ষিক সম্পদ ভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় লিখকৰ দ্বাৰা সামগ্ৰিকভাৱে লিখা, য'ত ভাৰতীয় পাঠ্যত্ৰম আৰু সূচীপত্ৰ অনলাইনত (http://www.tess-india.edu.in) উপলব্ধ। মুক্ত শৈক্ষিক সম্পদসমূহ বিভিন্ন পৰ্যায়ত উপলব্ধ আৰু প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ই উপযুক্ত।

Tess India ইংলেণ্ড চৰকাৰৰ দ্বাৰা ব্যয়সম্বলিত আৰু ইংলেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ।

*Version 2.0 SL08v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

The National Curriculum Framework for Teacher Education: Towards preparing Professional and Teachet (NCFTE ) (National Council for Teacher Education,2009) এ বৃত্তিধাৰী শ্ৰমবাহিনীৰ উন্নয়ন/বিকাশৰ গুৰুত্ব যাক জোৰ দিছে। বৃত্তিধাৰী বিকাশ এক জীৱনজোৰা প্ৰক্ৰিয়া আৰু ই বৃত্তিগত দক্ষতা বিকাশৰ প্ৰধান আহিলা। উন্নয়ন খণ্ড আৰু সংকুল সমল কেন্দ্ৰ (cluster resource centre) ৰ যোগেদি DPEP আৰু SSA এ সকলো ৰাজহুৱা খণ্ডৰ শিক্ষকৰ বৃত্তিধাৰী অৰ্হতা বিকাশৰ বাবে বিভিন্ন ক্ষেত্ৰ স্থাপন কৰিছ। ইয়াৰ উপৰিও আৰু অন্যান্য বেচৰকাৰী সংগঠনেও শিক্ষকসকলৰ বাবে নিযুক্তি কালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। বিকাশ/উন্নয়ন কেৱল নিযুক্তি কালীন প্ৰশিক্ষণৰ যোগেদিয়েই নহয়, ই প্ৰশিক্ষকে নেতৃত্ব দিয়া কৰ্মশালা, কেন্দ্ৰত হোৱা বৈঠক, প্ৰৱেশ পথ দীঘল বা ৰাস্তা বা বাটত হোৱা কথোপকথন, সমনীয়াৰ পৰা শিকা, দলত হোৱা শিকন ক্ৰিয়া-কলাপ আদিৰ পৰাও হয়।

বিদ্যালয় মুৰব্বী হিচাপে আপোনাৰ নেতৃত্বৰ ভূমিকাই প্ৰথাতীতভাৱে অনুশীলন উন্নয়নৰ বাবে শিক্ষকসকলক সবল কৰি তোলাত প্ৰয়োজনীয় সমৰ্থনকো সামৰি লয়। (ইয়াত মুৰব্বী শিক্ষকৰ বৃত্তিধাৰী বিকাশো সোমাই থাকে)। বাজেটকে সামৰি ইয়াত কিছুমান বাধা সাঙোৰ খাই আছে যিবোৰৰ নিয়ন্ত্ৰণ আপোনাৰ হাতত নাই আৰু সেয়ে এইটো সুনিশ্চিত নহয়। যি কি নহওঁক, বিদ্যালয় ভিত্তিক সহায় কৌশলৰ জৰিয়তে শিক্ষকৰ যোগ্যতা অধিক বঢ়াই তোলাৰ সুযোগ আপোনাৰ বাবে আছে। যিটোৰ ওপৰত এই গোটে আলোকপাত কৰিছে।

# শিকন দিনলিপি (Learning Diary)

এই গোটত আপুনি কাম কৰি থাকোঁতে আপোনাৰ শিকন দিনলিপিত টোকা বনাবলৈ দিয়া হ'ব। আপুনি যদি ইতিমধ্যে কামটো আৰম্ভ কৰা নাই তেন্তে এইখনেই এখন কিতাপ বা ফ'ল্ডাৰ (প্ৰচাৰ পত্ৰ) হ'ব য'ত আপুনি নিজৰ চিন্তা আৰু পৰিকল্পনা একেলগে এঠাইত সন্নিৱিষ্ট কৰিব পাৰে।

এই গোটটোৰ মাজেৰে হয়তো আপুনি অকলে কাম কৰি আছে। কিন্তু আপুনি যদি, আপোনাৰ শিকন আন কোনোবা বিদ্যালয় মুৰব্বীৰ লগত আলোচনা কৰিবলৈ সুবিধা পায় তেন্তে অধিক জানিব পাৰিব। সেইজন আপোনাৰ সহকৰ্মীও হ'ব পাৰে যাৰ লগত আপুনি ইতিমধ্যে সহযোগীতাৰে কাম কৰিছে অথবা আন কোনোবা যাৰ লগত আপুনি এটা নতুন সম্পৰ্ক স্থাপন কৰিছে। এইটো এটা সংগঠিত ক্ৰিয়াকলাপৰ পৰাও হ'ব পাৰে নতুবা আনুষ্ঠানিকভাৱেও হ'ব পাৰে। আপুনি শিকন দিনলিপিত লিখা টোকা ইয়াৰ বাবে উপযোগী হ'ব আৰু লগতে আপোনাৰ শিকন আৰু অগ্ৰগতিৰ এখন মানচিত্ৰ বা এটা ধাৰণাও পাব।

# বিদ্যালয়ৰ মুৰব্বীসকলে এই গোটত কি শিকিব পাৰে (What school leaders can learn in this unit)

- বিদ্যালয়ৰ উন্নয়ন আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফল উন্নত কৰাত শিক্ষকসকলৰ বৃত্তিগত যোগ্যতাৰ বিকাশে/উন্নয়নে কেনেকৈ প্ৰভাৱ পেলাব পাৰে।
- আপোনাৰ শিক্ষকসকলৰ বৃত্তিগত যোগ্যতাৰ বিকাশৰ প্ৰয়োজনীয় তাক মূল্যায়ন কৰাত সহায় কৰিবলৈ কিছুমান ধাৰণা পাব।
- সকলো শিক্ষকৰে বৃত্তিগত যোগ্যতাৰ বিকাশ কৰিব পাৰিব আৰু লগতে পৰিকল্পনা, নিৰীক্ষণ কৰিব পাৰিব।

# ১ আপাতদৃষ্টিত শিক্ষকৰ উন্নয়ন/অগ্ৰগতি (1 Perspectives on teacher development)

শিক্ষণ এটা অপৰিৱৰ্ত্তনীয় বৃত্তি নহয়। প্ৰযুক্তি, সদ্য পৰিৱৰ্তনশীল জ্ঞান, গোলকীয় অৰ্থনীতিৰ চাপ আৰু সামাজিক চাপৰ প্ৰভাৱত এই বৃত্তিৰ পৰিৱৰ্তন হয়। ইয়াৰ অৰ্থ হৈছে, চলি থকা নবীকৰণ আৰু শিক্ষণৰ উন্নয়ন পদ্ধতি আৰু কৌশলে এই পৰিৱৰ্তনবোৰক চুব লাগিব। পৰিৱৰ্তনশীলতা শিক্ষকৰ বাবে প্ৰয়োজনীয়।

National Curriculum Framework (NCF – 2005) ত সন্নিৱিষ্ট শিক্ষা সম্বন্ধীয় দৃষ্টিভংগী শ্ৰেণীকোঠাত আমাৰ শিক্ষকসকলে বুজি পাবৰ বাবে শিক্ষকৰ বৃত্তিগত উন্নয়নৰ প্ৰয়োজন আৰু তাৰেবাবে দায়িত্ব ল'ব লাগিব বিদ্যালয়ৰ মুৰব্বীজনে। বিদ্যালয় মুৰব্বীজনৰ দক্ষতাৰ উন্নয়নৰ জৰিয়তে কেনেকৈ শিকন-শিক্ষণ প্ৰক্ৰিয়াটো শিশুকেন্দ্ৰিক সৃজনাত্মক জড়িত কৰণলৈ ৰূপান্তৰিত হ'ব এই কথাতো (National Programme Design and curriculum framework (2014) ৰ মূখ্য ক্ষেত্ৰ 3 ত দেখুওৱা হৈছে। এনেদৰে বিদ্যালয়ৰ প্ৰতিজন শিক্ষকৰ ধাৰাবাহিক বৃত্তিগত উন্নয়ন/বিকাশৰ পৰিকল্পনা, নিৰীক্ষণত বিদ্যালয়ৰ মুৰব্বীজনৰ এটা জটিল ভূমিকা থাকে।

Christopher Day (1999) য়ে যুক্তি দৰ্শাইছে যে শিক্ষকৰ বৃত্তিগত বিকাশক জীৱনযোৰা কাৰ্য হিচাপে গণ্য কৰা উচিত যিয়ে তেওঁলোকৰ ব্যক্তিগত আৰু বৃত্তিগত জীৱনৰ লগতে কৰ্মক্ষেত্ৰৰ নীতি তথা সামাজিক প্ৰেক্ষাপটতো আলোকপাত কৰে। ছাত্ৰ-ছাত্ৰীৰ দৰে শিক্ষকসকলেও সদায় শিকি থকাৰ বিষয়টো বিদ্যালয় মুৰব্বীৰ বাবে গুৰুত্বপূৰ্ণভাবে বিবেচনা কৰিবলগীয়া। সকলো জ্ঞান আৰু দক্ষতা আহৰণৰ কোনো শেষ বিন্দু নাই।



(চিত্ৰ ১ঃ উন্নয়ন/বিকাশৰ প্ৰয়োজনীয়তা সম্পৰ্কে শিক্ষকে আলোচনা কৰিছে)

যেতিয়া বৃত্তিগত উন্নয়ন প্ৰায়েই পাঠ্যক্ৰম (course) ত কেন্দ্ৰীভূত হৈ থাকে। তেতিয়া বিদ্যালয় ভিত্তিক বৃত্তিগত উন্নয়নে বহুতো লাভালাভ আগবঢ়ায় আৰু শিক্ষকসকলৰ বৃত্তিগত উন্নয়ন/বিকাশত থকা বাধা অতিক্ৰম কৰাত সহায় কৰে যিটো কেন্দ্ৰীভূত পাঠ্যক্ৰমে কৰিব নোৱাৰে। উদাহৰণস্বৰূপে,

- প্ৰতিজন শিক্ষকৰ বাবে বৃত্তিগত উন্নয়ন/উন্নয়নৰ আৱশ্যকতা পূৰণৰ দ্বাৰা
- বিদ্যালয়ৰ বিশেষ প্ৰয়োজন আৰু বিশেষত্ব পূৰণৰ দ্বাৰা
- বিদ্যালয়ৰ উন্নয়নৰ বাবে যিটোৱে গুৰুত্ব পোৱা প্ৰয়োজন তাৰ বিশেষ গুৰুত্ব আৰোপৰ দ্বাৰা
- দলবদ্ধভাৱে শিক্ষকক একেলগে কাম কৰালে তেওঁলোকৰ দক্ষতা আৰু ধাৰমা শক্তি বৃদ্ধি কৰাত সহজ হোৱাৰ দ্বাৰা
- শিক্ষণৰ সময়সূচী কমকৈ সালসলনিৰ দ্বাৰা, কাৰণ শিক্ষকৰ বৃত্তিগত বিকাশ শিক্ষণৰ জৰিয়তেই হয়।
- গুণগত আৰু বৃত্তিগত বিকাশক গুৰুত্ব দি বিদ্যালয়ৰ মুৰব্বীক অধিক ক্ষমতা প্ৰদানৰ দ্বাৰা।

বিদ্যালয়ভত্তিক ক্ৰিয়াকলাপৰ জৰিয়তে নিযুক্তিকালীন শিক্ষক উন্নয়নৰ ওপৰত এই গোটে আলোকপাত কৰে যাতে ফলপ্ৰসু শিকন আৰু শিক্ষণৰ লগে লগে বিদ্যালয়ৰো উন্নতি হয়।

শিক্ষণ অনুশীলনত কি পৰিৱৰ্তন প্ৰয়োজন হ’ব পাৰে সেয়া চিনাক্তকৰণৰ বাবে ভবাত আপোনাক সহায় কৰিবলৈ আৰু NCFTE (2009) ক পথ-প্ৰদৰ্শক হিচাপে লৈ বৃত্তিগত বিকাশ পাঠ্যক্ৰম নাইবা বিদ্যালয়ৰ ভিতৰৰ বৃত্তিগত বিকাশৰ মাজৰ পাৰ্থক্যক পছন্দ কৰিবলৈ পিছৰ ক্ৰিয়াকলাপত লক্ষ্য স্থিৰ কৰা হৈছে।

## কাৰ্য 1ঃ NCFTE (2009)ৰ পুনৰালোচনা (Activity 1: Review of NCFTE (2009))

পাঠ 3 NCFTE (2009)ৰ (Transacting the curriculum and evaluating the developing teacher) এ শিক্ষক শিক্ষাৰ চলি থকা অনুশীলন আৰু ইয়াক কেনেকৈ অধিক প্ৰক্ৰিয়াভিত্তিক কৰিব পাৰে তাক চিনাক্ত কৰিছে। তলৰ চিত্ৰ 2 ত বৰ্ণনা কৰা NCFTE ত চিনাক্ত কৰা কেটামান বৈশিষ্ট্য চাওকচোন। শিক্ষকৰ দক্ষতা বিকাশৰ লগত সম্পৰ্কিত যিবোৰ কাম প্ৰায়েই বিদ্যালয়ত কৰোৱা হয় বুলি আপুনি অনুভৱ কৰে তেনে কথাকেইটা মন কৰক। প্ৰায়ে বাওঁফালৰ নে সোঁফালৰটো কৰা হয়? আপুনি এই কাৰ্যটো কৰোঁতে শিক্ষকক শিকাৰু হিচাপেহে গণ্যকৰিব ছাত্ৰ-ছাত্ৰী হিচাপ নহয়- মনত ৰাখিব।

| | | |
|---|---|---|
| দিবলগীয়া তত্ত্ব বা সূত্ৰ শ্ৰেণীত প্ৰযোজ্য হ’ব | ________ | অভিজ্ঞতা, পৰ্যৱেক্ষণ আৰু তাত্ত্বিক সংলগ্নতাক ভিত্তি কৰি, ধাৰামূলক জ্ঞান সৃজন কৰা। |
| বাহ্যিকভাৱে শিকাৰুক দিয়া জ্ঞানৰ পৰা কিবা এটা আহৰণ কৰিব পৰা ভবা হয়। | ________ | শিকন, শিক্ষণ, ব্যক্তিগত আৰু সামাজিক অভিজ্ঞতাৰ অংশীদাৰী পৰিপ্ৰেক্ষাত সুচিন্তিত অনুসন্ধানৰ জৰিয়তে জ্ঞান সৃজন উপলব্ধ হয়। |
| কৰিবলৈ দিয়া কাম , কোঠাৰ ভিতৰত পৰীক্ষা, ক্ষেত্ৰকৰ্ম আৰু শিক্ষণ প্ৰশিক্ষণত শিকাৰুৱে ব্যক্তিগতভাৱে কাম কৰে | ________ | শ্ৰেণীকোঠা আৰু শিকাৰুৰ পৰ্যৱেক্ষণ, বিনিময়ক সামৰি লৈ দলত কাম কৰিবলৈ শিকাৰুক উৎসাহিত কৰা আৰু বিভিন্ন পাঠৰ প্ৰকল্প আৰু দলীয় উপস্থাপনক উৎসাহ দিয়া |
| সমাজৰ বাস্তৱতাৰ ধাৰণা ল’বলৈ শিকাৰুৰ বাবে কোনো সুযোগ নাথাকে | ________ | শিকাৰুৰ নিজা স্থান আৰু শ্ৰেণীকোঠাৰ অংশ হিচাপে তেওঁলোকৰ ধাৰণাৰ পৰীক্ষণৰ বাবে শিকনৰ সুযোগ দিয়া। |
| শিকাৰুৰ বিষয়জ্ঞানৰ ধাৰণা পৰীক্ষণৰ বাবে কোনো সুবিধা বা উপায় নাই | ________ | নিজে তৈয়াৰ কৰা সুযোগ বা জ্ঞানৰ ভুল ধাৰণাক প্ৰত্যাহ্বান জনাই পুনৰ চালিজাৰি চাব পৰাৰ সুযোগ দিয়া। |

**Figure 2** NCFTE characteristics on a continuum.

## আলোচনা Discussion

এই কাৰ্যৰ লক্ষ্য হৈছে NCFTE (2009) ত উল্লেখ কৰা আৰু আলোকপাত কৰা অনুশীলনসমূহ আপোনাৰ বিদ্যালয়ত কেনেকৈ কৰিব পাৰিব তাৰ বাবে আপোনাক চিন্তাৰ আৰম্ভ কৰাত সহায় কৰা যাতে বেলেগ বেলেগ বিষয়ৰ ওপৰত যি বেলগ প্ৰয়োজনীয়তা আছে তাক উপযোগী কৰি ল'ব পৰাকৈ অহৰহভাৱে তাত লাগি থাকিব লাগিব আৰু তাৰ এটা প্ৰতিফলন শিক্ষকে নিজৰ অনুশীলনৰ পৰা বাছি উলিয়াব লাগিব। আদৰ্শগতভাৱে, ছাত্ৰ-ছাত্ৰীৰ বহীত নম্বৰ বা মূল্যাংকণ কৰোঁতে সদায় বাওঁফালে কৰিব লাগ য'ত সোঁফালে তেওঁলোকে শিকন বিনিময় কৰিব পাৰে। বাস্তৱত দেকা যায় যে, আপোনাৰ মূল্যাংকণ সোঁফালে বা মাজতো হৈছে। এইটোৱে আপোনাৰ দৃষ্টি বা আলোচনা কোনদিশে যোৱা উচিত তাৰ দিশ নিৰ্ণয় কৰিব।

বিদ্যালয়ৰ মুৰব্বী হিচাপে উন্নয়নৰ বাবে আপুনি দায়বদ্ধ। তেনেদৰে ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফল আৰু সহকৰ্মীসকলৰ উন্নয়ন/বিকাশৰ বাবেও আপুনিয়ে দায়বদ্ধ। আদৰ্শগতভাৱে, শিক্ষকসকলৰ দৈনন্দিন শিক্ষণ অভিজ্ঞতাৰ জৰিয়ত তেখেতসকলৰ জ্ঞান সমৃদ্ধিৰ বাবে আপুনি শিক্ষকসকলৰ লগত কাম কৰি থাকিব। শিক্ষকসকলৰ জ্ঞান আৰু দক্ষতাক মুকলিভাৱে বিনিময় কৰিবলৈ আপুনি উৎসাহ যোগাব। এনেকৈ তেখেতসকলে প্ৰত্যেকেই প্ৰত্যেকক পৰ্যৱেক্ষণ কৰিব আৰু পাঠ্যক্ৰম অনুযায়ী বিষয়বোৰ (farm,workplace, home, community & media) একেলগে আলোচনা কৰাৰ বাবে সুবিধা পাব।

সঠিক নিৰাপদ 'ঠাই' (space) ৰ সৃষ্টি কৰাৰ প্ৰয়োজন হ'ব য'ত শিক্ষকসকলে তেওঁলোকৰ অভিজ্ঞতাৰ বিনিময় কৰিব পাৰে বুলি অনুভৱ কৰে পৰীক্ষা-নিৰীক্ষাক উৎসাহিত কৰে আৰু ধাৰণাবোৰৰ মূল্য থাকে।

# 2. শিক্ষকৰ বৃত্তিগত শিকন আৰু বিকাশ/উন্নয়ন 2 Teachers' professional learning and development

বৃত্তিগত শিকন আৰু উন্নয়নে এজন ব্যক্তিৰ দক্ষতা আৰু আহৰণ কৰিব পৰা অৰ্হতা আৰু কাৰ্যকৰী কৰিব পৰা ক্ষমতাক সূচায় বা তেওঁ বৃত্তিগত ক্ষেত্ৰত কিমান সচেতন তাকে বুজায়।

NCFTE ৰ মতে শিক্ষকৰ বৃত্তিগত শিকন আৰু বিকাশৰ বাবে বহল লক্ষ্যসমূহ হৈছে ঃ

- নিজৰ শৈক্ষিক অৰ্হতা উদ্‌ঘাটন কৰি তাক প্ৰতিফলিত আৰু উন্নত কৰা।
- নিজৰ জ্ঞানৰ গভীৰতা আৰু শৈক্ষিক নিয়মানুৱৰ্তিতাৰ দ্বাৰা বিদ্যালয়ৰ পাঠ্যক্ৰমৰ দিশত নিজকে সময়োপযোগী (up to date) কৰি ৰখা।
- গৱেষণা আৰু প্ৰতিফলনৰ দ্বাৰা শিকাৰুসকলক শিক্ষা দিয়া।
- শৈক্ষিক আৰু সামাজিক বিষয়সমূহ বুজি পোৱা আৰু সচেতন হৈ থকা।
- শিক্ষাৰ পাঠ্যক্ৰম উন্নত কৰা বা নিৰ্দেশনাৰ (counseling) দ্বাৰা শিক্ষা প্ৰদানৰ ক্ষেত্ৰত নিজৰ ভূমিকা বৃত্তিগতভাৱে খাপ খুৱাই লোৱা আৰু নিজকে তৈয়াৰ কৰা।
- বৌদ্ধিক নিঃসংগতা ভংগ কৰা নিজৰ অভিজ্ঞতা আৰু অন্তৰ্দৰ্শন যথাস্থানত অইনৰ লগত বিনিময় কৰা। বহল সমাজত শিক্ষক আৰু শিক্ষাবিদ (academics) সকলে বিশেষ নিয়মানুৱৰ্তিতা আৰু বুদ্ধিজীৱিৰ দ্বাৰা সমাজত ভিজ্ঞতাৰ প্ৰসাৰ কৰা।

SCERT য়ে DIET ৰ লগ হৈ শিক্ষকৰ বাবে কাৰ্যালয় PLD (official PLD) যোগাৰ ধৰে। সাধাৰণতে সামদিকবাৰে অনুষ্ঠিত কৰ্মশালা ৰ দ্বাৰা এইটো সম্ভৱ হয় য'ত ব্যক্তিগত মনোযোগ দিয়া হয়। প্ৰশিক্ষণটো সমস্যাজনিত হ'ব পাৰে কাৰণ, ই কেৱল সাধাৰণ বিষয়বিলাকৰ কথাহে কয় আৰু প্ৰায়েই প্ৰাথমিক তথ্য দি নতুন নীতি আৰম্ভ কৰা হয়।

আপোনাৰ শিক্ষকসলৰ অৰ্হতাৰ স্তৰ আৰু বিকাশৰ প্ৰয়োজন বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। তেওঁলোকৰ বেলেগ বেলেগ অভিৰুচি আৰু বিশেষত্বই এইটো অৰ্থ বুজায় যে, চলি থকা প্ৰতিক্ৰিয়াত PLD ৰ সৈতে জড়িত কৰি তেওঁলোকক উৎসাহিত কৰিবলৈ বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰাৰ প্ৰয়োজন হ'ব।

তলত দিয়া শ্ৰীমতী শইকীয়াৰ উদাহৰণটোৱে PLD ৰ প্ৰয়োজন আছে বুলি সূচায়, কিন্তু শইকীয়াক সন্নিৱিষ্ট হোৱা কথাটোৱে আপুনি চিনি পোৱা কোনোবা মানুহৰ কথা মনত পেলাব পাৰে। এই ঘটনাটো কাৰ্য 3 ত ব্যৱহাৰ কৰা হ'ব।

## বিষয় অধ্যয়ন 2 ঃ শ্ৰীমতী শইকীয়াৰ শিক্ষকতা কৰি আছে Case Study 2: Mrs Gupta's teaching

শ্ৰীমতী শইকীয়াই 16 বছৰ একেখন প্ৰাথমিক বিদ্যালয়তে শিক্ষকতা কৰে। তেওঁ নিজৰ প্ৰদৰ্শনক লৈ গৰ্ববোধ কৰে আৰু ঘৰৰ পৰা কাগজ, কেঁচী, আঠা, ছিদ্ৰফলক (stencil) আৰু ছবি অঁকা পিনৰ বাকচ এটা লৈ যায়। দুগৰাকী দক্ষ ছাত্ৰীৰ দ্বাৰা সেইবোৰ প্ৰদৰ্শন কৰায়। পিতৃ-মাতৃ আৰু অতিথি/সাক্ষাৎকাৰীসকলে সেইবোৰ প্ৰষংসা কৰে। তেনে প্ৰশংসা শুনি শইকীয়াই গৰ্ব অনুভৱ কৰে।

সাধাৰণতে শইকীয়াই তেওঁৰ কাম ভাল পায় কিন্তু বিজ্ঞানৰ কিছুমান পাঠ তেওঁ পঢ়াবলৈ ভাল নাপায় কাৰণ তাৰ theory আৰু বিষয়বস্তু তেওঁ নিশ্চিতভাৱে নাজানে। কেতিয়াবা তেওঁ পঢ়াই থাকোতে বৰ আমনি পায় কিন্তু ছাত্ৰ-ছাত্ৰীৰ লগত যোগাযোগ ৰাখি ভাল পায়। বিশেষকৈ মেধাৱী ছাত্ৰ-ছাত্ৰীক তেওঁ বেছি মনোযোগ দিয়ে- যাক আগৰফালে বহুৱাই আৰু তেওঁৰ এনে ভাল লগা কাৰ্যৰ বাবে লজ্জিত নহয়। তেওঁ পিছৰফালে বহা দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মন নিদিয়ে আৰু শস্য চপোৱাৰ সময়ত শ্ৰেণীত কম ছাত্ৰ-ছাত্ৰী দেখিলে সকাহ পায়। শ্ৰীমতী শইকীয়াই মাজে মাজে DIET ৰ প্ৰশিক্ষণৰ কৰ্মশালাত ভাগ লয় কিন্তু তেওঁ ইয়াক এৰাই চলে। অচিনাকি মানুহ থকা ঠাইলৈ যাবলৈ তেওঁ বেয়া পায়। বাকী সহকৰ্মীসকলক তেওঁ সহায় সহযাগ কৰে কিন্তু শৈক্ষিক বিষয়ত বা শিক্ষণ অনুশীলনৰ বিষয়ে আলোচনা কৰিবলৈ বৰ ভাল নাপায়। তেওঁ মাত্ৰ শ্ৰেণীত পাঠদান কৰিবলৈ আহে আৰু নিজৰ পৰিয়ালৰ প্ৰতিপালন কৰিবলৈ ঘৰলৈ উভতে। তেওঁ খুউব আগ্ৰহী নৃত্যশিল্পী আৰু আজৰি সময়ত নৃত্য কৰি ভাল পাইছিল। এতিয়া তেওঁ অন্য বিদ্যালয়ত সপ্তাহত এদিনকৈ ব্যক্তিগতভাৱে নৃত্যৰ শ্ৰেণী লয়। এবছৰত তেওঁ চূড়ান্ত বৰ্ষৰ নৃত্যশিল্পীৰ লগত নৃত্য পৰিৱেসন কৰিছিল। এতিয়া তেওঁ অনুভৱ কৰিছে অকলে ইমান কাম কৰিব নোৱাৰে।

.

## কাৰ্য 2 ঃ বৃত্তিগত উন্নয়নৰ বিষয়ে কথোপকথনৰ পৰিকল্পনা Activity 2: Planning for a conversation about professional development

CPD ৰ ধাৰণাৰ লগত পৰিচিত কৰাবলৈ আপুনি বিদ্যালয়ৰ মুৰব্বী হিচাবে শইকীয়াৰ লগত কিদৰে বাৰ্তালাপ বা কথোপকথন কৰিব বিবেচনা কৰক। আপুনি হয়তো শইকীয়াক চিনি নাপায়, কিন্তু তেওঁৰ নিচিনা অন্য কাৰোবাক জানে নিশ্চয়। ধৰি লওঁক, তেওঁৰ গুণবোৰৰ বিষয়ে জানিবলৈ আপুনি তেওঁৰ লগত কথা পাতিছে। চিন্তা কৰক কেনেকৈ তেওঁ এগৰাকী সুদক্ষ বা উন্নত মানৰ শিক্ষক হ'ব। শিকন দিনলিপিত লিপিৱদ্ধ কৰক-

1. তেওঁৰ মান উন্নত কৰাৰ প্ৰয়োজনীয়তাৰ বাবে আপুনি কেনেদৰে আলোচনা আৰম্ভ কৰিব।
2. আপুনি তেওঁৰ কি কি দুৰ্বলতা আৰু সবলতা (strength) ৰওপৰত আলোকপাত কৰিব?
3. তেওঁ কেনেদৰে নিজৰ প্ৰতিতি্ৰ য়া প্ৰকাশ কৰিব বুলি ভাবে?
4. এটা সুফল পাবলৈ আপুনি কি কি পদক্ষেপ ল'ব পাৰিব?

সমল 1 ৰ ফলি (Tamplate) লৈ মন কৰক। গুপ্তাৰ ক্ষেত্ৰত ইয়াক কেনেকৈ ব্যৱহাৰ কৰিব পাৰিব, কি ধৰণৰ বিষয় বা ধাৰণা উৎপন্ন হ'ব পাৰে আপুনি মন্তব্যটো কোনটো শাখাত নথিবদ্ধ কৰিব?

সমল 2 টো আপোনাৰ বাবে ব্যৱহাৰযোগ্য হ'ব পাৰে। সাধু কথা কোৱা, গীত, অভিনয় আৰু নাটক এইবোৰ শিক্ষাৰ বিকল্প উপায় হ'ব পাৰে। শইকীয়া নিশ্চয়কৈ এগৰাকী সৃষ্টিশীল ব্যক্তি আৰু তেওঁৰ সৃজনশীলতাৰ পৰা ছাত্ৰ-ছাত্ৰীসকল লাভবান হ'ব পাৰে যদি তেওঁলোকৰ পাঠত ইয়াক যথেষ্টভাৱে ব্যৱহাৰ কৰা হয়। PLD ৰ আলোচনাত OER এ বেলেগ বেলেগ বিষয়ত আলোকপাত কৰিব আৰু মূল সমলসমূহে OER ৰ লগত থাকিব। পাছৰটো কাৰ্যত আপুনি এই টোকাবোৰলৈ ঘূৰি আহিব, PLD ত্ৰি য়াকলাপৰ পৰিকল্পনালৈ আলোকপাত কৰাৰ লগে লগে এনেকুৱা হ'ব পাৰে যে, আপোনাৰ বিদ্যালয়ৰ সংস্কৃতিৰ অৰ্থ হ'ল যে সহকৰ্মীসকলৰ লগত আলোচনা কৰোতে হয়তো বিদ্যালয়ত আপুনি বৃত্তিগত পুনৰালোচনা আৰু প্ৰশংসা লাভ কৰে।.

### আলোচনা Discussion

ব্যক্তিগতভাৱে আলোচনা কৰোতে আপুনি তেওঁলোকৰ বৃত্তিগত অনুশীলন আৰু ভৱিষ্যতে তেওঁলাকৰ বৃত্তিগত উন্নয়নৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থাৰ চিনাত্ত কৰে। সেয়ে আপোনাৰ শিক্ষকসকল হয়তো এনেধৰণৰ বাৰ্তালাপত অভ্যস্ত। যি কি নহওঁক, এনেকুৱা হোৱাতো খুউব সম্ভাৱনা আছে যে, আপোনাৰ লগত হয়তো প্ৰথমবাৰৰ বাবে তেওঁলোকে এনে বাৰ্তালাপত ভাগ লৈছে।

শিক্ষকসকলৰ প্ৰয়োজনীয়তা, আশা আৰু আগ্ৰহৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে তেওঁলোকৰ লগত সভাৰ সময় নিৰ্ধাৰণ কৰি ল'ব। এইটোৱে তেওঁলোকৰ বৃত্তিগত জীৱনৰ বিষয়ে জনাত সহায় কৰিব। কিন্তু নাটকীয়ভাৱে নহয় সহজভাৱেই আলোচনাত লিপ্ত হ'ব। হয়তো তাৰে ভিতৰত কোনোবাজন শইকীয়াৰ দৰে। তেওঁক মৰমেৰে বুজাই বা নিশ্চয়তা দিহে বাৰ্তালাপলৈ আনিব পাৰিব। আপুনি লিপিবদ্ধ কৰি থোৱা তেওঁৰ কিছুমান গুণ আছে যাৰ লগত আপুনি পৰিচিত আৰু সেইবোৰেই তেওঁৰ লগত কথা পতাৰ বাট মুকলি কৰিব। সেই নথি আৰু প্ৰাৰম্ভিক আলোচনাই ভৱিষ্যতৰ পৰিকল্পনা আৰু উন্নয়ন কাৰ্যৰ ভেঁটি হ'ব। নিজৰ উন্নতি সাধন কৰিবৰ বাবে আৰু দায়িত্ব ল'বৰ বাবে এই বাৰ্তালাপে সম্পূৰ্ণ সহায় কৰিব।

আপুনি হাতত লোৱা নিৰীক্ষণ প্ৰতি্ৰ য়া বা আপুনি পঢ়োৱা পাঠৰ লগত সংগতি ৰাখি এই আলোচনাবোৰৰ সংযোগ ঘটাব (link) পাৰে।

সময়ত এখথন বিদ্যালয়ৰ সহকৰ্মীৰ পৰ্যৱেক্ষণ আৰু পাঠৰ পুনৰালোচনাৰ PLD ৰ চত্ৰ ৰ নিয়মীয়া অংশ কৰিব পাৰে। ইয়েই প্ৰশংসনীয় আলোচনাৰ প্ৰমাণ দিব।

# 3. শিক্ষকৰ বৃত্তিগত শিকন আৰু উন্নয়ন PLD ৰ আৰ্হি (3 Models of teachers' PLD)

PLD প্ৰায়ে গঠনমূলক আৰু পৰিচালিত হ'লেও ইয়াক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োপ্ৰকাৰেই কৰিব পাৰি। এই ব্যক্তি গতভাৱে, সৰু দলত নাইবা বৃহৎ সংখ্যকৰ মাজতো হ'ব পাৰে। কৰ্ম গৱেষণা, অনুশীলনৰ ওপৰত প্ৰতিফলন, পথ প্ৰদৰ্শক আৰু সমনীয়াৰ লগত শিকাৰ নিচিনা পদ্ধতিতো ইয়াক সামৰি ল'ব পাৰি। সংগঠিত প্ৰশিক্ষণ কাৰ্যসূচীয়ে কিদৰ উন্নয়ন বা বিকাশৰ সম্পূৰ্ণ সুযোগ ব্যৱহাৰ নিশ্চিত কৰে ছিক তেনেদৰে আপোনাৰ বিদ্যালয়ত অনানুষ্ঠানিক শিকনক স্বীকৃতি আৰু মূল্য দিয়াতো গুৰুত্বপূৰ্ণ।

টি.ভি, ৰেডিঅ' আৰু ইণ্টাৰনেট সামৰি তথ্য আৰু যোগাযোগ প্ৰযুক্তি (ICT) - জ্ঞান আহৰণৰ বাবে উপযোগী গুৰুত্বপূৰ্ণ আৰু নতুন তথ্যৰ বহুল বিস্তাৰণৰ বাবেও এইবোৰ উপযোগী। (ICT) য়ে শিক্ষকসকলক প্ৰয়োজন সাপেক্ষীয় দক্ষ ব্যক্তিৰ লগত নিয়োজিত হৈ তথ্য আহৰণ কৰাত সহায় কৰিব। বিদ্যালয়ত বৃত্তিগত উন্নয়নৰ ইণ্চাৰনেটে আপোনাৰ সহকৰ্মী আৰু আপোনালৈ সা-সঁজুলিবিহীন সমল (তাৰ বেছিভাগেই OER ৰ দৰ অনলাইন যোগে দিয়া হয়, TESS Indiak ক সামৰি) আৰু NROER, CIET, NCERT ৰ সুযোগ আগবঢ়ায়। অনলাইন সমলবোৰৰ যোগাযোগৰ বাবে এই গোটৰ শেষৰফালে পাব।

শিক্ষণ আৰু শিকনৰ উন্নতিৰ বাবে শ্ৰেণীকাঠাত PLD কাৰ্যবোৰ প্ৰাথমিক পৰিবাহক/মাধ্যম হোৱা উচিত। এইটো সদায় দেখা যায় যে, শ্ৰেণীকোঠাৰ অনুশীলন উৎকৰ্ষ সাধন আৰু প্ৰতিফলনৰ বাবে শিক্ষকক সময় আৰু ঠাই দিয়া হয়। যি কি নহওক, সকলো শিক্ষকেই কিমান ফলপ্ৰসূ সেইটো মূল কথা নহয়, অইনৰ উন্নত অনুশীলন পৰ্যৱেক্ষণ কৰি তেওঁলোকে বহুতো শিকিবও পাৰে। উন্নত শিক্ষণ অনুশীলন প্ৰায়ে বিদ্যালয়ত পৰ্যাপ্ত হ'ব পাৰে কিন্তু কৰ্মচাৰীসকলৰ মাজত এইটো 'অদৃশ্যমান' হৈ থাকিব পাৰে নাইবা তেওঁলোকে কাক পৰ্যৱেক্ষণ কৰিব নাইবা কাৰ কেনেকুৱা অনুশীলনে তেওঁলোকক অধিক অধিক লাবান্বিত কৰিব সেইটো নাজানিবও পাৰে। এনেদৰে 'অদৃশ্যমান' উন্নত অনুশীলনক দৃশ্যমান কৰি শিক্ষক/কৰ্মচাৰী সমাজক সহায় কৰাত মুৰব্বীৰ ভূমিকা প্ৰায়েই বাহক নলীৰ দৰে হ'ব পাৰে আৰু সেয়ে ই অইনৰ বাবে মূল্যায়ন। বিদ্যালয়ৰ ক'ত উন্নত অনুশীলন হৈ আছে সেইটো আপুনি বুজি পোৱাতো প্ৰয়োজন। শিক্ষণ সমাজৰ লাভৰ বাবে ইয়াক ( উন্নত অনুশীলনক) ব্যৱহাৰ কৰিব পৰাকৈ আপুনি সক্ষম হোৱাতো ই বিচাৰে। এই প্ৰক্ৰিয়াত প্ৰথম পদক্ষেপ হৈছে প্ৰতিজন শিক্ষকেই তেওঁলোকৰ অনুশীলনৰ বিষয়ে ফলপ্ৰসূ শিকাৰু হোৱা আৰু ইয়াক উন্নত কৰিবলৈ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত নিজকে সবল অনুভৱ কৰা।

শিক্ষকে শ্ৰেণীকোঠাত শিকিব পৰা বহুতো পথ আছে য'ত সকলোবোৰেই অৱস্থিত শিকনৰ দ্বাৰা সমৰ্থিত- য'ত শিক্ষকে কিবা এটা নতুন কৰিবলৈ চেষ্টা কৰে নাইবা ইতিমধ্যে কৰি অহা কামৰ লগত খাপ খুৱাই কৰিব বিচাৰে। শিক্ষকসকলে নিজৰ বাবে নতুন কোনো ধাৰণাবোৰ কেতিয়াবা ভুলো হ'ব পাৰে। তেতিয়া তেওঁলোকে সেইটো কেনেকৈ ভুল হ'ল সেই বিষয়ে প্ৰতিফলিত কৰাৰ সুযোগ লোৱাৰ প্ৰয়োজন যাতে ভাৱষ্যতে তেওঁলোকে অনুশীলন সংশোধন কৰিব পাৰে। অৱস্থিত শিকনো গ্ৰহমযোগ্য হ'ব পাৰে আৰু বিভিন্ন ধৰণে সমৰ্থিত হ'ব। তলৰ তালিকাখন চাওক

## বিদ্যালয়ভিত্তিক PLD কাৰ্য (School-based PLD activities)

1. কৰ্ম গৱেষণা, (Action Research) য'ত শিক্ষকে নিজৰ কোনো এটা বিশেষ বিষয় উদ্‌ঘাটন কৰিব বিচাৰে। নিজৰ অনুশীলনৰ উন্নয়নৰ বাবে শ্ৰেণীকোঠাত নতুন পদ্ধতি চেষ্টা কৰে। ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ওপৰত ইয়াৰ প্ৰতিফলন হয়। তাৰ পাছত পুনৰ কি কৰা প্ৰযোজন সেয়া পুনৰালোচনা হয়। কৰ্ম গৱেষণা বৃত্তীয়, কাৰণ পৰৱৰ্তী পদক্ষেপ চিনাক্ত কৰণৰ চূড়ান্ত পৰ্যায়ে পুনৰ নতুন পৰৱৰ্তী ধাৰণা উদ্‌ঘাটনৰ বাবে প্ৰেৰণা বা গতিবেগ দিয়ে। (সমল ৩ চাওক)
2. সহযোগী শিকন, য'ত শিক্ষকে তুলনা আৰু বৈপৰীত্যৰ দ্বাৰা অন্য শিক্ষকৰ লগত একেলগে শিকিবৰ বাবে নিয়োজিত হ'ব, ভাৱ বিনিময় কৰিব আৰু পৰিকল্পনাৰ উন্নয়ন ঘটাব। অনুশীলনৰ এটা বিশেষ দিশতহে একেলগ হোৱা উচিত। (যেনে- বিদ্যালয়ৰ মূল্যায়নৰ দিশটোহে কৰ্মৰত দলটোৱে চাব)
3. দলীয় শিক্ষণ, য'ত দুজন শিক্ষকে ভিন্নতা জানিবৰ বাবে, আগবাঢ়ি যাবৰ বাবে, ছাত্ৰ-ছাত্ৰীৰ দৃষ্টি আকৰ্ষণৰ বাবে, নতুনত্ব জানিবৰ বাবে, প্ৰদৰ্শনৰ বাবে আৰু দুয়োজনৰ যুটীয়া দক্ষতা ব্যৱহাৰ কৰি এটা পাঠ বা পাঠাংশ আগবঢ়াবলৈ একেলগে কাম কৰে. এনেদৰে দুয়ো দুয়োৱে পৰা শিকে আৰু নতুন পদ্ধতিৰ বাবে একেলগে চেষ্টা কৰে।
4. অনুশীলনৰ ওপৰত প্ৰতিফলিত কৰণ, যিটো এটা অকলশৰীয়া কাৰ্য হ'ব পাৰে কিন্তু সমানেই ইয়াক সহকৰ্মী বা এটা দলত প্ৰ.ৰ জৰিয়তে গভীৰ চিন্তাক উদ্বুদ্ধ কৰিও কৰিব পাৰি। গভীৰ চিন্তাক উদ্বদ্ধ কৰাৰ এটা সুন্দৰ সুযোগ হ'ব পাৰে আলোচনা,-। য'ত সহকৰ্মীৰ দ্বাৰা পাঠ পৰ্যৱেক্ষণ হয়।
5. শিক্ষক যোগসূত্ৰত অংশগ্ৰহণ, বিদ্যালয়ভিত্তিক যোগসূত্ৰ আৰু বিদ্যালয়ৰ যুৰীয়া অংশীদাৰী হৈছে সিক্ষকসকলৰ অভিজ্ঞতা বিনিময় কৰিববলৈ, সমস্যা আলেচানা কৰিববলৈ, সমনীয়াৰ লগত ধাৰমা প্ৰকাশ কৰিববলৈ আৰু ভৱিষ্যতৰ বাবে পৰিকল্পনা কৰিববলৈ উৎসাহ দিয়াৰ অন্য পথ। বিদ্যালয়ৰ প্ৰতি দায়বদ্ধ আৰু আপোনাৰ লগতো ঘনিষ্ঠ বিদ্যালয়ৰ অন্য মুৰব্বীৰ লগতো আপুনি এইটো অভিযান চলাব পাৰে।
6. শিক্ষকৰ নিজৰ আৰু ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বিভিন্ন দিশত অকলে নাইবা একেলগ কাম কৰাৰ বহুতো সুবিধা TESS India ৰ বিষয় গোটে আগবঢ়াইছে।

তলত দিয়া বিষয়বোৰৰ ওপৰত উন্নত ত্ৰি য়াকলাপ ৰ বাবে TESS Indiak ৰ ণূল সমল সমূহত অতি সুন্দৰ প্ৰসংগ নিৰ্দেশ দিছে।

- প্ৰগতি আৰু সাফল্যৰ মূল্যায়ন
- নিৰীক্ষণ আৰু প্ৰতিপুষ্টি
- সাধু/কাহিনী কথন, গীত, অভিনয় আৰু নাটক
- স্থানীয় সমলৰ ব্যৱহাৰ
- যুৰীয়া কাৰ্যৰ ব্যৱহাৰ
- দলীয় কাৰ্যৰ ব্যৱহাৰ
- পাঠ পৰিকল্পনা
- চিন্তনৰ বাবে প্ৰ.ৰ ব্যৱহাৰ/ধাৰণা আগবঢ়াই নিবৰ বাবে প্ৰ. সোধা কাৰ্য ব্যৱহাৰ কৰা
- শিকনৰ বাবে কথা-বাৰ্তা
- সকলোকে জড়িত কৰা

### দৃশ্য ঃ বিদ্যালয় নেতৃত্ব/মুৰব্বী- শিক্ষণ আৰু শিকনত নেতৃত্ব প্ৰদান

### Video: School Leadership – Leading teaching and learning

আপুনি দেখা পাব যে, শিকনৰ এই সকলোবোৰ উদাহৰণতে শিক্ষকগৰাকীয়ে (অকলে বা সহকৰ্মীৰ সৈতে একেলগে) বিকাশৰ দিশসমূহ চিনাক্ত কৰি লয় আৰু তাৰ পিছত পৰিকল্পনা কাৰ আৰু শিকনত নিয়োজিত হোৱাত সত্ৰি য়ভাৱে জড়িত হৈ পৰে। আন কথাও কবলৈ গ'লে এয়া তেওঁলোকৰ বাবে কৰা হোৱা নাই যদিও ইয়াৰ দ্বাৰা তেওঁলোকক নিজকে অধিক উন্নত কৰিব পৰাকৈ সবলীকৰণ কৰা হৈছে। তাৰ অৰ্থ এইটো নহয় যে এগৰাকী মুৰব্বী হিচাপে উন্নয়নমূলক প্ৰয়োজনীয়তাসমূহ দাঙি ধৰাৰ ব্যা পৰামৰ্শ প্ৰদানৰ সুযোগ আপোনাৰ

নাই, কিন্তু এই কাম কৰিব লাগিব একেলগে শিকা কাৰ্যত সহযোগ আৰু সহকৰ্মীৰ মনোভাৱ লৈ। এগৰাকী বিদ্যালয় মুৰব্বী বা নেতা হিচাবে আপুনি অন্য শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ৰে শিকন সহজতৰ কৰি তোলা এজন ব্যক্তি হিচাবে কাম কৰে।

## কাৰ্য 3 ঃ শিকনৰ সুযোগ চিনাক্তকৰণ (Activity 3: Identifying learning opportunities)

কাৰ্য 2 ত শ্ৰীমতী গুপ্তা সম্পৰ্কে আপোনাৰ ধাৰণা অনুসৰি উপৰোক্ত পাঁঠবিধ পি.এল.ডি PLD শিকন ব্যৱহাৰ কৰক যাতে শইকীয়াই হাতত ল'ব পৰা পাঁঠবিধ PLD কাৰ্য চিনাক্ত কৰিব পৰা যায়। আপুনি তেখেতৰ সক্ৰিয় শিকন, অনুশীলনত প্ৰতিফলন, ব্যক্তিগত শিকন, দলগত শিকনৰ অংশ হিচাবে শিকা অথবা কোনো সহকৰ্মী বা বিদ্যালয় নেতা/মুৰব্বীৰ দ্বাৰা শিকোৱাৰ বাবে বিকল্পৰ চিন্তা কৰিবলৈ বিচাৰিব পাৰিব। ঘটনা অধ্যয়নৰ বাবে আপোনাৰ হাতত থকা সীমিত তথ্যৰ বাবে বিচলিত নহ'ব আপোনাৰ নিজৰ বিদ্যালয়খন মানসপটত লৈ তেখেতে বিকাশ কৰিব পৰা কোনো পথৰ বিষয়ে আপুনি পৰামৰ্শ আগবঢ়াওতে, নাইবা তেখেতে যদি আপোনাক কোনো সহকৰ্মীৰ বিষয়ে মনত পেলাই দিয়ে যাৰ লগত আপুনি এই কাৰ্য কৰি উলিয়াব তেতিয়া আপোনাৰ তথ্য সীমিত হৈ নাথাকে।

### আলোচনা ঃ (Discussion)

শইকীয়াই বিদ্যালয়ত তেখেতৰ দক্ষতাৰ বিকাশ কৰিবৰ বাবে আপুনি নিশ্চয় এলানি সুযোগৰ বিষয়ে ভাবি উলিয়াছে। উদাহৰণস্বৰূপ আপুনি হয়তো পৰামৰ্শ দিছে যে. তেখেত (শইকীয়াই) এগৰাকী অধিক আত্মবিশ্বাসী শিক্ষকে বিজ্ঞানৰ সেই কঠিন পাঠসমূহ পঢ়াই থকা অৱস্থাত লক্ষ্য কৰক, অথবা তেখেতক বিজ্ঞানৰ শিক্ষক গৰাকীয়ে বিষয়বস্তু সম্পৰ্কে শিকাওক যাতে জ্ঞানৰ ক্ষেত্ৰত থকা আসোঁৱাহ দূৰ হয়। হয়তো আপুনি পৰামৰ্শ দিছে যে পৰৱৰ্তী অংশকালত পাঠসমূহ শৰীৰ বিদ্যা, সাহিত্য, জ্যামিতি, সংগীত ইত্যাদি মূল বিষয়ক কেন্দ্ৰ কৰি পৰিচালিত হোৱাৰ লগতে বিদ্যালয়খনে এক নৃত্য স্পতাহ পালন কৰিব আৰু শ্ৰীমতী শইকীয়াক এই ক্ষেত্ৰত নেতৃত্বৰ ভূমিকা ল'বলৈ ক'ব। তাৰোপৰি, আপুনি শ্ৰীমতী শইকীয়াৰ এটা পাঠদানৰ শ্ৰেণী লক্ষ্য কৰি শ্ৰেণীটোৰ সন্মুখত বহা আৰু পিছত বহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংযোগৰ বিভিন্ন পৰ্যায়ৰ বিষয়ে তেখেতক পুনঃ প্ৰতিবেদন দিয়াৰ সিদ্ধান্ত ল'ব পাৰে। বহুস্তৰীয়া শ্ৰেণীসমূহৰ প্ৰত্যাহ্বান আৰু সমাধানসমূহৰ বিষয়ে হোৱা কথোপকথন দলটোৰ সকলো কৰ্মীকে সাঙুৰী ল'ব পৰাকৈ বিস্তাৰিত কৰিব পাৰি, যিহেতু ই সকলোৰে বাবে বিকাশৰ এক সুযোগ। শ্ৰীমতী শইকীয়াই বিদ্যালয়ৰ প্ৰতিদিনৰ অংশ হিচাবে তেওঁৰ শিক্ষাদানৰ অনুশীলন সজীৱ আৰু সবল কৰি তুলিব পাৰে আৰু তেখেতৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকন বৃদ্ধি কৰিব পাৰে। সহকৰ্ম্মীসকলৰ সহযোগত তথা নিজে কৰি শিকি বা নিজৰ সমাধান নিজে উলিয়াই তেখেতে এইটো কৰিব পাৰে। আপুনি চাগে এইটোও মন কৰিছে যে শ্ৰীমতী শইকীয়া প্ৰদৰ্শন কাৰ্যত ভাল আৰু তেখেতে আন শিক্ষক সকলক এনে দক্ষতাৰ বিকাশ কৰাত সহায় কৰিব পাৰে। তেখেতৰ নিজা অনুপ্ৰেৰণাই হ'ব ইয়াৰ চাবিকাঠী আৰু এইবাবেই গুপ্তাৰ লগতে প্ৰয়োজন চিনাক্তকৰণ কৰি সেইবোৰৰ সমাধানৰ ক্ষেত্ৰত একেলগে কাম কৰাতো জৰুৰী। তেখেতে অধিক আগ্ৰহেৰে মনোনিৱেশ কৰিব, যদিহে তেখেতে নিজৰ সবলতা আৰু প্ৰয়োজন সম্পৰ্কীয় আলোচনাত ভাগ লৈছে আৰু সেই আলোচনাত ওলাই অহা অগ্ৰাধিকাৰ তথা সৰুযোগ সম্পৰ্কে একমত প্ৰকাশ কৰিছে।

শ্ৰীমতী গুপ্তাক এগৰাকী নিৰ্দিষ্টভাৱে প্ৰত্যাহ্বানমুখী শিক্ষক হিচাবে লৈ তেখেতৰ লগত কাম কৰিব পাৰি, যিহেতু তেওঁ বিদ্যালয়খনত ভালদৰে সংস্থাপিত আৰু সেয়ে তেখেতৰ PLD ৰ প্ৰতি আগ্ৰহান্বিত হোৱাৰ কোনো বাধ্যবাধকতা নাই। কিন্তু তেখেতৰ নিৰ্ভেজাল সবলতা আছে, যি বিদ্যালয়খনৰ বাবে এক সম্পত্তিস্বৰূপ আৰু যাক মূল্য দিয়া উচিত। সবলতা গঠন আৰু প্ৰয়োজনক সাঁহাৰি জনোৱাৰ মাজত তেখেতৰ PLD সম্পৰ্কে হোৱা এই কথোপকথনৰ ভাৰসাম্য ৰক্ষা হ'ব লাগিব। সকলোবোৰ প্ৰয়োজনীয়তাকে একেলগে সাঁহাৰি নজনালেও হ'ব। এনে বহু শিক্ষক আপুনি পাব যিসকলে শিকনৰ দ্বাৰা নিজকে উন্নত কৰাৰ এই সুবিধা আঁকোৱালি ল'বলৈ ইচ্ছুক আৰু যিসকলে তেওঁলোকৰ PLD ৰ প্ৰতি থকা আপোনাৰ আগ্ৰহক স্বাগতম জনাব।

## কাৰ্য 4) ঃ কাৰ্যপৰিকল্পনা প্ৰস্তুতকৰণ (Activity 4: Formulate an action plan)

এগৰাকী বিদ্যালয় নেতা/মুৰব্বী হিচাবে আপুনি গুপ্তাৰ বাবে প্ৰয়োজন আৰু সুযোগসমূহ চিনাক্ত কৰণৰ ক্ষেত্ৰত কাম কৰি আহিছে। এতিয়া আপুনি আপোনাৰ কৰ্মচাৰী আৰু বিদ্যালয়ৰ প্ৰতি মনোযোগ দিয়াৰ প্ৰয়োজন। এনে দুই এগৰাকী শিক্ষকৰ সৈতে কাম কৰক যিসকল নিজৰ PLD ৰ প্ৰতি আগ্ৰহী হোৱাৰ আশা আছে আৰু তেওঁলোকক সহায় কৰিবৰ বাবে থকা আপোনাৰ আগ্ৰহৰ দ্বাৰা প্ৰেৰিত হোৱাৰ প্ৰকাশ আছে। প্ৰতিগৰাকী শিক্ষকৰ বাবে ত্ৰি য়াকলাপ 2 (সমল 1 ৰ আৰ্হি ব্যৱহাৰ কৰি) আৰু ত্ৰি য়া আগবাঢ়ক আৰু তাৰ পিছত তেওঁলোক প্ৰতিগৰাকীৰে লগত একোটিকৈ পৰিকল্পনা প্ৰস্তুত কৰক। সমল 4 ত এখন আৰ্হি আছে যিখন আপুনি পৰিকল্পনাত ব্যৱহাৰ কৰিব পাৰে।

বহুত বেছি কাম নভৰাব। অধিকতম চাৰি বা পাঁচটাই ঠিক হ'ব। কামবোৰ খুউব জটিল কৰি নেপেলাব। কিয়নো আপোনাৰ অন্যান্য দায়িত্বসমূহৰ লগে লগে সেইবোৰ আপুনি সজাই ল'ব পাৰিব লাগিব। মনত ৰাখিব যে, PLD ৰ  এক ধাৰাবাহিক প্ৰত্ৰি য়া আৰু সেয়ে আপোনাৰ সিক্ষকসকলে বছৰে বছৰে বিকাশ সাধন কৰি যাব পাৰিব।

কৰ্মচাৰীৰ বৈঠতক এটা অংশ পৰিচালনা কৰি আপুনি PLD ৰ সম্পৰ্কে ধাৰণা প্ৰদান পাৰে আৰু PLD ৰ প্ৰাৰম্ভিক আলোচনাৰ বাবে সেচ্ছাসেৱক আহ্বান কৰিব পাৰে অথবা অনানুষ্ঠানিকভাৱেও আপুনি এই কাম কৰিব পাৰে। কিন্তু যি ধৰণেই নকৰক কিয়, আপোনাৰ বিদ্যালয়ৰ সকলো কৰ্মচাৰীৰ প্ৰতি কিদৰে আপুনি PLD ৰ এক প্ৰত্ৰি য়া প্ৰস্তুত কৰিব তাৰ এক পৰিকল্পনা আপোনাৰ থাকিব লাগিব। এই কাম আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আপোনাৰ দুগৰাকী সেচ্ছাসেৱক আপুনি সহায়কাৰী হিচাবে পাব পাৰে। আপুনি প্ৰস্তুত কৰা পৰিকল্পনাত প্ৰত্যাহ্বানৰ এক ক্ষুদ্ৰ অংশ হ'লেও থাকিবই লাগিব, যাতে ই শিক্ষকগৰাকীৰ সক্ষমতা বঢ়াই তুলিব পাৰে আৰু সেইবোৱে তেওঁলোকক নতুন স্থানলৈ আগবঢ়াই লৈ যায়। কিন্তু এই পৰিকল্পনা এক যুক্তি সংগত সময়সীমাৰ ভিতৰত উপনীত হ'ব পৰা আৰু কৰি উলিয়াব পৰা হ'ব লাগিব। প্ৰত্যেকটো লক্ষ্য সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে শিকন ফলাফল উন্নীতকৰণৰ উদ্দেশ্যৰ লগত প্ৰতিটো লক্ষ্য সমৰ্থিত হোৱা প্ৰয়োজন।

### আলোচনা (Discussion)

বিদ্যালয়ৰ সচৰাচৰ অনুশীলনৰ লগত এবাৰ যদি এনে এক পদ্ধতিৰ সংমিশ্ৰণ ঘটোৱা যায়, PLD ৰ সম্পূৰ্ণ ধাৰণাই ইয়াত খাপ খাই পৰিব আৰু বিদ্যালয়খনত প্ৰত্যেকেই নিজকে সহ-শিকাৰু হিচাবে গণ্য কৰিব। আপোনাৰ বিদ্যালয়ত PLD সম্পৰ্কে এক সাধাৰণ ধাৰণা লৈ আপুনি আলোচনাসমূহ দুজনীয়া গোট বা দলক গতাব পাৰিব যাতে অভিজ্ঞতাৰ বিনিময় সহ-বিকাশৰ এক সংস্কৃতিৰ জৰিয়তে সুযোগসমূহ বিচাৰি উলিয়াব পৰা যায়। যদিহে কেৱল শিক্ষক নহয় বৰং প্ৰত্যেকগৰাকী সদস্য কৰ্মীকে নিজৰ বিকাশত জড়িত কৰিব পৰা যায়, ছাত্ৰ-ছাত্ৰীসকলেও বুজিব জীৱনজোৰা শিকনৰ কিমান প্ৰয়োজন। ই নীতি সলনি কৰাৰ লগতে বিদ্যালয়খনো সলনি কৰে।

## 4 উন্নয়ন কাৰ্যসমূহ নথিবদ্ধ কৰা (4 Keeping a record of development activities)

এগৰাকী বিদ্যালয় নেতা/মুৰব্বী হিচাবে আপোনাৰ কৰ্মচাৰীসকলৰ বিকাশৰ কাৰ্যসমূহ নথিবদ্ধ কৰাতো দৰকাৰী। কৰ্মচাৰীসকলৰ কৰ্ম সম্পাদনাত সহায় কৰি আৰু ইয়াৰ বৃদ্ধি সাধন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শিকন অধিক উন্নত কৰাৰ উদ্দেশ্যে আপোনাৰ যি প্ৰতিজ্ঞা, ই তাৰেই সাক্ষী সমল অংশত পৰামৰ্শ দিয়াবোৰৰ দৰে নথিবদ্ধ প্ৰ-পত্ৰবোৰ ব্যৱহাৰ কৰি লগতে প্ৰশিক্ষণৰ সময়ৰ উপস্থিতি নথিবদ্ধ কৰি আপুনি প্ৰতিগৰাকী শিক্ষকৰ প্ৰগতি তালিকাভুক্ত  কৰাৰ উপৰিও বিদ্যালয় অধিক উন্নীতকৰণৰ ক্ষেত্ৰত আপুনি হাতত লোৱা কামবোৰো তালিকাভুক্ত  কৰিব।

নিজা বিকাশ/উন্নয়নৰ নথি নিজে ৰখাতো প্ৰতিজন শিক্ষকৰ দায়িত্বও। এনে তালিকা প্ৰায়ে উপস্থিত থকা পাঠসমূহৰ তাৰিখসহ এখন সূচীহে হয়গৈ; কিন্তু তাত তেওঁলোকে কৰি থকা আন্তঃ বিদ্যালয়ৰ PLD কাৰ্যসমূহ অন্তৰ্ভুক্ত  হোৱাৰ কোনো নিশ্চয়তা নাই। শিকনৰ দিনলিপি, নথিপত্ৰ ৰকাতো এনে এক কাম। এনে কাম কৰি শিক্ষক এগৰাকীয়ে কেৱল নিজৰ  প্ৰগতিৰ হিচাব ৰখাই নহয়, তেওঁলোকে নিজৰ নথিৰ দ্বাৰা নিজৰ অধিক উন্নীতকৰণৰ অনুশীলন প্ৰমাম কৰি দেখুৱাব পাৰে আৰু বৃত্তিমূলক বিকাশৰ বাবে তেওঁলোকৰ যি প্ৰতিজ্ঞা তাৰ প্ৰদৰ্শন কৰিব পাৰে। এগৰাকী শিক্ষকে কেনেদৰ নিজৰ বৃত্তিমূলক বিকাশ/উন্নয়ন নথিবদ্ধ কৰি ৰাখে আৰু তেওঁ কেনেকৈ এই নথিসমূহ কেৱল প্ৰতিফলিত প্ৰত্ৰি য়াৰ অংশ হিচাবে ব্যৱহাৰ কৰাই নহয় বৰং মনত পেলোৱাৰো এক উপায় হিচাবে ব্যৱহাক কৰে আৰু

পুনৰালোচনা কৰে। তেওঁ নিজৰ ধাৰণাৰ ওপৰত টোকা প্ৰস্তুত কৰে আৰু তেওঁৰ নিজা PLD ৰ প্ৰমাণ অইনৰ আগত দেখুৱাবৰ বাবে প্ৰয়োজন হ'লে এই নথিসমূহ ব্যৱহাৰ কৰিব পাৰে।

## বিষয় অধ্যয়ন 2 ঃ শ্ৰীমান অঞ্জনে তেওঁৰ বিদ্যালয় ভিত্তিক PLD ৰ নথি পত্ৰ ৰাখে

## (Case Study 2: Mr Kapur keeps a record of his school-based PLD)

শ্ৰীমান অঞ্জনে শিক্ষকতা ভাল পায়। অঞ্জনৰ পিতৃ আৰু খুড়াক দুয়োজনেই শিক্ষক আছিল আৰু তেওঁ ভাবিছিল শিক্ষকতা তেওঁৰ তেজত আছে। শিক্ষকতাৰ বাবে উপযুক্ত হোৱাৰ পিছত অঞ্জনে দুখীয়া চহৰৰ অঞ্চল এটাত মধ্যমীয়া জোখৰ বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে। দুবছৰৰ ভিতৰত তেওঁ অনুভৱ কৰিলে যে তেওঁক কিছু নতুন ধাৰণাৰ প্ৰয়োজন। কিন্তু যদিও তেওঁৰ ছাত্ৰ-ছাত্ৰীসকল তেওঁ পঢ়োৱা পাঠৰ প্ৰতি যথেষ্ট আগ্ৰহী আৰু উৎসাহী হোৱা দেখা গৈছিল তথাপি তেওঁ অনুভৱ কৰিছিল যে তেওঁৰ শিক্ষণ শিক্ষাত শিকাবোৰ প্ৰতিটোৱে আখৰা কৰাব।

অঞ্জনে বিদ্যালয়ৰ মুৰব্বীজনৰ লগত কথা পাতিলে। মুৰব্বীজনে অঞ্জনক বিদ্যালয়তে কৰিব পৰা তিনিটা PLD কাৰ্য ল'বলৈ পৰামৰ্শ দিলে। প্ৰথমতে অতি দক্ষ বুলি সকলোৱে জনা শিক্ষক প্ৰতিমাই পঢ়ুৱা বিজ্ঞান পাঠৰ পৰ্যৱেক্ষণ আৰু শিকন, দ্বিতীয়তে ল'ৰাবোৰক গণিতত নিয়োজিত হ'বৰ বাবে উৎসাহিত কৰাৰ পথ হিচাবে গণিত আৰু খেলৰ পাঠক জোৰা লগাবলৈ তেওঁৰ ধাৰণা অনুধাবন কৰা, আৰু তৃতীয়তে পিছৰ সময়ত যোগদান কৰিবলগীয়া এজন নতুন শিক্ষকক দিহা-পৰামৰ্শৰ দ্বাৰা তেওঁৰ জ্ঞান আৰু দক্ষতাক আগবঢ়াই নিয়া। অঞ্জনে এই গোটেই কেইটাক উপযোগী বুলি সহমত প্ৰকাশ কৰে। এটা চমু পৰিকল্পনা অঞ্জনৰ ফাইল আৰু টোকাবহীত ৰখা হ'ল।

যেতিয়া অঞ্জনে প্ৰতীমাৰ পাঠ চাবলৈ গৈছিল, তেওঁ নিজৰ পৰ্যৱেক্ষণৰ টোকা বনাইছিল আৰু প্ৰতিমাইনো কেনেকৈ পাঠ পৰিকল্পনা আৰু পাঠ প্ৰদান কৰে সেই বিষয়ে পাছত প্ৰতীমাৰ লগত আলোচনা কৰিছিল। অঞ্জনে কেনেকৈ প্ৰয়োগ কৰিছিল সেই সম্পৰ্কে নিজৰ টোকাত কিছুমান পৰামৰ্শ সংযোগ কৰিছিল যিবোৰ তেওঁ নিজৰ পাঠৰ পৰা শিকিছিল। বিজ্ঞানৰ এটা পাঠত দেখা এটা কাৰ্য তেওঁ দুটা সপ্তাহৰ পিছত টোকা যগুত কৰিছিল। প্ৰতিটো কামৰ আৰম্ভণিৰ তাৰিখ দিয়াত তেওঁ সাৰধান আছিল কিন্তু টোকাবোৰ অইনে পঢ়িব পৰাকৈ বা স্পষ্ট হয় নে নহয় সেই লৈ চিন্তিত নাছিল। যিকোনো সময়ত যদি এইটো লিখাৰ প্ৰয়োজন হয় তেওঁ নিজৰ টোকাৰ পৰাই কাম কৰিছিল।

গণিত আৰু খেলক মিলোৱা ধাৰণাটো বিদ্যালয়ৰ মুৰব্বীয়ে ভাল পোৱাৰ বাবে কাৰুৰ সন্তুষ্ট হৈছিল। সেয়েহে তেওঁ পাঠ্যত্ৰ ম আৰু গণিতৰ পাঠ্যপুথি পঢ়িয়ে বহুত গধুলি পাৰ কৰিছিল। এই বিষয়ত কোনো গৱেষণা বা অনুশীলনৰ বিষয়ে জানিবলৈ তেওঁ online চাইছিল। তেওঁ নিজৰ ধাৰণাৰ বিষয়ে কিছুমান টোকা লিখিছিল। তেওঁ দুটামান ত্ৰি য়াকলাপ শ্ৰেণীত কৰিবলৈ যত্ন কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰতিপুষ্টি লৈছিল। সেইবোৰ তেওঁ ভৱিষ্যত প্ৰসংগৰ বাবে ৰাখি থৈছিল। অৱশেষত এই পদ্ধতিয়ে কেনেকৈ কাম কৰে সেই বিষয়ে সহকৰ্মীগোটৰ আগত বৰ্ণনা কৰিবলৈ তেওঁ এখন গৱেষণা পত্ৰ লিখিছিল আৰু সদৰ্থক প্ৰতিপুষ্টি লাভ কৰিছিল। তেওঁ এইবোৰ নথিভুক্ত কৰি ৰাখিছিল। কেইবামাহো পাৰ হোৱাৰ পাছত অন্য দুজন শিক্ষকে অঞ্জনৰ পদ্ধতি ব্যৱহাৰ কৰিছিল।

নতুন শিক্ষকজনক অঞ্জনে দিহা-পৰামৰ্শ দিয়া আৰম্ভ কৰাৰ আগতে শ্ৰেষ্ঠ পৰামৰ্শৰ বাবে তেওঁ কিতাপ আৰু ইণ্টাৰনেটৰ প্ৰালোচনা কৰিছিল যাতে তেওঁ শুদ্ধভাৱে পৰামৰ্শ দিব পাৰে। তেওঁ অনলাইনত TESS India গোটৰ “Transforming teaching learning process: mentoring and coaching : শিকাবৰ বাবে উপযোগী হিচাপে বিচাৰি পালে। কোনো ব্যক্তিৰ ওচৰত গৈ কোৰ্চ (course) লোৱাতকৈ এইটো বেছি উপযোগী। পৰামৰ্শ দিওঁতে তেওঁ নিজে কৰি অহা আৰু তাতকৈ ভাল কাম কৰিব পাৰিলেহেঁতেন সেই বিষয়ে লিখা টোকাবোৰ ৰাখিছিল। তেওঁ পৰামৰ্শ দিয়া কামক প্ৰতিফলিত কৰিবলৈ ই সহায়ক আছিল বুলি তেওঁ ভাবি পাইছিল। বিদ্যালয়ৰ মুৰব্বীয়ে যেতিয়া কাপুৰক শুধিছিল কাপুৰ অভিজ্ঞতাৰ বিষয়ে আগতকৈ ভালকৈ ক'বলৈ সক্ষম হৈছিল।

অঞ্জনে ৰখা নথিবোৰ কেৱল তেওঁ নিজে চাবৰ বাবেহে আছিল আৰু এইবোৰ অনানুষ্ঠানিক নাছিল। সেইবোৰ শিক্ষক হিচাপে তেওঁৰ প্ৰথম বৰ্ষত ব্যৱহাৰ কৰিছিল আৰু এই অনুশীলন ধাৰাবাহিকভাৱে কৰিছিল। তেওঁ নিজকে কিমান আগবঢ়াই নিব পাৰিলে সেইটো উভতি চাবৰ বাবে, লগতে তেওঁ এজন আৰু ভাল শিক্ষক হ'বৰ বাবে কি কৰিবলৈ বাকী আছে সেয়াও তেওঁক সোঁৱৰাই দিবলৈ ই সহায়ক বুলি অঞ্জনে অনুভৱ কৰিছিল। যেতিয়া তেওঁ অন্য চাকৰিৰ বাবে আৱেদন কৰিছিল আৰু নিজৰ CV খন পুনৰ প্ৰস্তুত কৰিবলগীয়া হোৱাৰ লগতে সাক্ষাৎকাৰৰ বাবে প্ৰস্তুতি চলাইছিল তেতিয়া তেওঁৰ বাবে সেই টোকাবোৰ মহামূল্যৱান হৈ পৰিছিল।

## ত্রি য়াকল্প 5 ঃনিজৰ নথিপত্ৰ সুসংগঠিত কৰণ (Activity 5: Organising your own records)

আপুনি যদি TESS India ৰ Managing and developing self: managing and developing yourself, গোট পঢ়িছে, আপোনাৰ শিক্ষকসকলৰ সমানে আপোনাৰ নিজৰ PLD কেনেকৈ চলিছে সেই বিষয়ে ভাববলৈ আৰম্ভ কৰিব। বিদ্যালয়ৰ মুৰব্বী হিচাবে আপোনাৰ নিজৰ PLD ৰ নথিপত্ৰ কেনেকৈ ৰাখিছে ভাবক। আপুনি কাপুৰৰ দৰেই সু-সংগঠিত নে? ঘটনা অধ্যয়নটো ব্যৱহাৰ কৰি কাপুৰে ৰখা (যেনে- এটা পৰিকল্পনা, কিছু ধাৰণা, এখন তালিকা) বিভিন্ন প্ৰকাৰৰ নথিপত্ৰৰ এখন তালিকা প্ৰস্তুত কৰক। তাৰ পাছৰখন তালিকাত কাপুৰে সেইবোৰৰ বাবে কি ব্যৱহাৰ কৰিছিল লিখক। এইটোৱে আপোনাৰ টোকাৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে ভাবিবলৈ সহায় কৰিব। আপোনাৰ নিজৰ PLD ৰ নথিপত্ৰ ৰখাতো সহায়ক হ’ব।

আপুনি যদি শিকন দিনলিপি ৰাখিছে, আপুনি এই গোটটো অধ্যয়ন কৰি এই অনুশীলনটো পাইছে। এজন ভাল বিদ্যালয় মুৰব্বী অনুশীলনটোৰ আৰ্হি কাৰণ তেওঁলোকে সহকৰ্মীৰ মাজত চাবলৈ ইচ্ছা কৰে। আপোনাৰ উন্নয়নৰ খতিয়ান ৰাখিবৰ বাবে আপোনাৰ যদি তেনেকুৱা টোকা বহী বা ফাইল (file) ইতিমধ্যে নাই, আপুনি কৰি লোৱা উচিত।

আপোনাৰ ব্যস্ততাপূৰ্ণ আৰু দাবী থকা কামৰ বাস্তৱতাৰ কথা বিবেচনা কৰিবলৈ কেই মিনিটমান সময় লওক আৰু তলৰ প্ৰ.সমূহৰ উত্তৰ হিচাপে টোকা প্ৰস্তুত কৰক।

- আপোনাৰ নিজৰ PLD নথিপত্ৰ ৰখাত আপোনাৰ বিপক্ষে কি ষড়যন্ত্ৰ আছিল?
- আপোনাৰ পথত পোৱা (বাধা) সমূহ বন্ধ কৰিবৰ বাবে আপুনি কি কৰিব?
- আপোনাৰ নিজৰ PLD ত্ৰি য়াকলাপবোৰৰ নথিপত্ৰ (দৈনিক, সাপ্তাহিক) আৰু প্ৰতিফলন ৰাখিবলৈ আপুনি কেনেকৈ আগবাঢ়িব?

নিজৰ নথিপত্ৰ পৰীক্ষাৰ বাবে আপুনি নিজাকৈ এটা পুনৰালোচনাৰ তাৰিখ ৰখা উচিত (এমাহ বা ছমাহৰ মূৰত হ’ব পাৰে) য।

পৰিপাটীকৈ ৰখা PLD ৰ নথিপত্ৰই আপোনাৰ অগ্ৰগতি মনত পেলাই দিব আৰু আপোনাৰ প্ৰত্যাহ্বান আৰু সুযোগৰ বিষয়ে প্ৰতিফলনত পথ দেখুৱাব। এই নথিপত্ৰই আপোনাৰ PLD প্ৰদৰ্শনৰ বাবে আৰু আপুনি নিজৰ পাৰদৰ্শিতা বিনিময়ৰ বাবে তথ্যৰ উৎসও দিব। যদি আপোনাৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক সত্ৰি য় কৰি গঢ়ি তুলিবলৈ গৈছে আপোনাক উদাহৰণৰ দ্বাৰা নেতৃত্ব দিয়াৰ প্ৰয়োজন হ’ব। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল নিজেও নিয়মীয়া শিকাৰু. বিদ্যালয় কৰ্মচাৰীসকলৰ PLD ৰ তথ্যই বিদ্যালয়ৰ ধাৰাবাহিক উন্নতি আৰু মানদণ্ডৰ বৃদ্ধি কৰাত প্ৰতি আনুগত্যৰ প্ৰমাণ দিয়ে।

# 5. আপোনাৰ বিদ্যালয়ত PLD প্ৰণালীবদ্ধকৰণ (5 Systematising PLD in your school)

যিমান দূৰ সম্ভৱ এই গোটটোৱে আলোচনা কৰিছে যে, আপোনাৰ বিদ্যালয়ত PLD ভালদৰে এতিয়াও চলা নাই বা প্ৰতিষ্ঠা হোৱা নাই। এইটো আৰম্ভ কৰিবৰ বাবে কেইটামান সৰু সৰু পৰামৰ্শ আগবঢ়োৱা হ’ল। কিন্তু আপুনি আপোনাৰ বিদ্যালয়ত সকলো পৰ্যায়ৰ সকলো কৰ্মচাৰীৰ বাবে ৰ প্ৰণালীবদ্ধ প্ৰত্ৰি য়াৰ লক্ষ্য লোৱা উচিত হ’ব। বিদ্যালয় সমাজৰ প্ৰতিজন সদস্যই এটা শিকন প্ৰতিষ্ঠানৰ অংশ আৰু সেয়ে তেওঁলোকৰ ব্যত্তি গত বিকাশউন্নয়নৰ লগত জড়িত হোৱা উচিত। শিকন যে এক জীৱনজোৰা প্ৰত্ৰি য়া সেইটো ছাত্ৰ-ছাত্ৰীক প্ৰদৰ্শন কৰিব লাগে।

যদি PLD নিয়মিতভাৱে হয়  আৰু এখন বিদ্যালয়ত স্বাভাৱিক ত্ৰি য়াকলাপ হিচাপে দেখা যায়, শিক্ষকৰ নিজৰ আটাইতকৈ ভাল অনুশীলনৰ বিনিময়ৰ বাবে ই এক প্ৰাকৃতিক প্ৰত্ৰি য়া হৈ আহিব, আনুষ্ঠানিক বিকাশ প্ৰগ্ৰেমত সোমাই যায় আৰু সেয়া আনুষ্ঠানিকভাৱে, অনানুষ্ঠানিকভাৱে, ব্যত্তি  হিচাপে বা দলত একেলগেই হওক তেওঁলোকৰ নিজৰ উন্নতি সাধন কৰে। য’ত কৰ্মচাৰীসকলে শিকি আছে, তেওঁলোক অভিৰুচিত আৰু সৃষ্টিশীল। যেতিয়া তেওঁলোকৰ সৈতে তেওঁলোকৰ PLD পৰিকল্পিত, নিৰীক্ষিত আৰু পুনৰালোচিত হয়,

তেওঁলোকে শিক্ষণ সমাজৰ লগত তেওঁলোকৰ কৃতকাৰ্যতা আৰু প্ৰত্যাহ্বানৰ বিনিময় কৰিব পাৰে। যিয়ে বিনিময়ত এক অন্তৰ্দৃষ্টি লাভ কৰে আৰু নিজৰ অনুশীলন বিকাশৰ বাবে ভৱিষ্যতৰ সুযোগ পায়।

আপুনি লক্ষ্য কৰা উচিত ঃ

- শিক্ষকৰ লগত আৰু শিক্ষকৰ মাজত নিয়মীয়াকৈ PLD বিষয়ে বক্ত ব্য প্ৰদান।
- PLD ৰ বিষয়ে অধিক তথ্যৰ সুযোগ
- শিক্ষকৰ নিজৰ PLD ৰ বাবে কাৰ্য পৰিকল্পনাৰ কাম
- PLD কাৰ্যৰ ফলাফল আৰু অগ্ৰগতিৰ সমৰ্থন আৰু নিৰীক্ষণ
- PLD পৰিকল্পনা, ত্ৰি য়াকলাপ আৰু ফলাফলৰ নথিপত্ৰ ৰখা

অতিৰিক্ত সময়ত, আপোনাৰ বিদ্যালয়ত প্ৰণালীবদ্ধ PLD ৰ পৰিৱেশে শিকাৰুৰ ফলাফলৰ উন্নতিত নেতৃত্ব দিব।

## 6) সাৰাংশ Summary

এই গোটত আপুনি দেখিলে কিহে শিক্ষকৰ বিকাশ সাধন কৰে, ইয়াত কি জড়িত হ’ব পাৰে আৰু বিদ্যালয়ৰ ভিতৰত কি শিকিব পাৰি। ক’ৰ্চ আৰু প্ৰশিক্ষণেই শিকনৰ নিৰ্দিষ্ট পথ নহয়। শিক্ষণৰ উন্নতিৰ পথ ধাৰাবাহিক শিকনৰ লতগ জড়িত হৈ থাকে। কৰ্মচাৰীদলক ধাৰাবাহিক বিকাশ/উন্নয়নৰ বাবে আশাৰ সঞ্চাৰ কৰা আৰু বিকাশ/উন্নয়নৰ সুযোগক সুচল কৰাত বিদ্যালয় মূৰব্বীজনে পালন কৰিব লগা এটা ভূমিকা থাকে।

আপুনি কিছুমান চানেকি (কটা ফলি)ৰ বাবে চেষ্টা কৰক যাতে আপোনাৰ বিদ্যালয়ত PLD ৰূপায়ণত সহায় হয় আৰু কৰ্মচাৰীসকলক কেনেকৈ নিয়োজিত কৰি ৰাখিব পাৰি আৰু নথিপত্ৰ কেনেকৈ ৰাখিব পাৰি সেই বিষয়ে ভবাত আপোনাৰ সহায় হ’বৰ বাবে কিছুমান ঘটনা অধ্যয়নক চাওক। কিন্তু তাৰপাছত উত্তেজনাময় অংশ/সময় আহে যেতিয়া আপুনি ছাত্ৰ-ছাত্ৰীৰ শিকন অভিজ্ঞতাৰ লাভালাভৰ বাবে আপোনাৰ কৰ্মচাৰীসকলৰ অনুশীলন উন্নত কৰিবৰ বাবে নেতৃত্ব দিবলৈ যাব। যিসকল শিক্ষক আপোনাৰ শিক্ষক নিজৰ শিকনক লৈ সমৰ্পিত তেওঁলোকে নিজৰ দৰেই ছাত্ৰ-ছাত্ৰীসকলকো অনুভৱ কৰাবৰ বাবে স্বাভাৱিকভাৱেই অনুপ্ৰাণিত কৰে।

এই গোটটো শিক্ষণ শিকন ৰূপান্তৰ প্ৰত্ৰি য়া (National College of School Leading) সৈতে সংঘাতৰ মূল বিষয়ৰ লগত জড়ত গোটৰ অংশ। আপোনাৰ জ্ঞান আৰু দক্ষতাৰ বিকাশৰ বাবে এই গাঁথা (set) ৰ পিছৰ অন্য গোটত চাবলৈ ইয়াৰ উপযোগী বুলি আপুনি ভাবিব পাৰে।

- প্ৰাথমিক বিদ্যালয়ত শিক্ষণ-শিকনৰ উন্নতিলৈ নেতৃত্ব দিয়া
- মাধ্যমিক বিদ্যালয়ৰ শিক্ষণ-শিকনৰ উন্নতিলৈ নেতৃত্ব দিয়া
- আপোনাৰ বিদ্যালয়ত মূল্যাংকণৰ নেতৃত্ব দিয়া
- শিক্ষকৰ কৃতিত্ব বঢ়াবলৈ সহায় কৰা
- নিৰীক্ষণ আৰু শিকোৱা কাৰ্য
- আপোনাৰ বিদ্যালয়ত সফল শিকন কৃষ্টিৰ বিকাশ
- আপোনাৰ বিদ্যালয়ত জড়িত কৰণকলৈ আগবঢ়াই নিয়া
- সফল শিকাৰুৰ শিকনৰ সমলত প্ৰৱন্ধন
- আপোনাৰ বিদ্যালয়ত কাৰিকৰী কৌশলত ব্যৱহাৰৰ নেতৃত্ব প্ৰদান

# সমলসমূহ Resources

## সমল 1 ঃ ব্যক্তিগতভাৱে শিক্ষকৰ সৈতে আলোচনাৰ্থে চানেকি (Resource 1: Template for discussion with individual teachers)

| | |
|---|---|
| শিক্ষকৰ নাম | |
| তাৰিখ | |
| আপোনাৰ শিক্ষক হিচাবে শক্তি  কি? আপুনি কিহত ভাল | |
| | |
| আমি বিদ্যালয়ত ব্যৱহাৰ কৰা কি কথা শিকাব পাৰে? আপোনাৰ কোনো বিশেষ আগ্ৰহ বা কৌশল আছে নেকি? | |
| | |
| এঝন ভাল শিক্ষক হিচাবে আপুনি কি জানে? ইয়াক কি কৰিব পাৰি? | |
| | |
| অন্যান্য টোকা | |
| বিদ্যালয় মুৰব্বীৰ চহী | |

## সমল 2 ঃ সাধু/কাহিনী কথন, গীত, চৰিত্ৰাভিনয়, নাটক (Resource 2: Storytelling, songs, role play and drama)

শিকন অভিজ্ঞতাৰ সৈতে ছাত্ৰ-ছাত্ৰীসক সত্ৰি য়ভাৱে জড়িত হৈ থাকোতে তেওঁলোকে আটাইতকৈ ভালদৰে শিকে। নিজৰ ধাৰমা বিনিময় কৰি আৰু বিষয়টো তেওঁলোকে আনৰ সৈতে আলোচনা কৰি ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ পাঠ সম্বন্ধীয় বোধ গভীৰ কৰিব পাৰে। গণিত আৰু বিজ্ঞানকে ধৰি এক বহল পাঠ্যত্ৰ মৰ ক্ষেত্ৰত সাধু/কাহিনী কথন, গীত, চাৰিত্ৰাভিনয় আৰু নাটক আদিৰ দৰে কিছুমান পদ্ধতি ব্যৱহাৰ কৰিব পাৰি।

### সাধু/কাহিনী কথন (Storytelling)

আমাৰ জীৱনত চেতনাবোধ অনাত সাধুৱে সহায় কৰে। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ পৰম্পৰাগতভাৱে বহু সাধু চলি আহিছে। আমি যেতিয়া শিশু হৈ আছিলো তেতিয়া আমাক যিবোৰ সাধু কোৱা হৈছিল তাত আমি জন্মলাভ কৰাৰ সময়ৰ কেতবোৰ নীতি আৰু মূল্যবোধৰ প্ৰতিফলন ঘটাইছিল।

সাধুৱে শ্ৰেণীকোঠাত আটাইতকৈ শক্তি শালী মাধ্যম হিচাপে কাম কৰেঃ

- ই মনোৰঞ্জনকাৰী উত্তেজনাপূৰ্ণ আৰু চিন্তা- উদ্দীপক হ'ব পাৰে
- আমাক দৈনন্দিন জীৱনৰ পৰা কল্পনা জগতলৈ লৈ যাব পাৰে
- প্ৰত্যাহ্বানমূলক হ'ব পাৰে
- নতুন ধাৰণা উদ্ৰেককাৰী হ'ব পাৰে
- আৱেগ উদ্ৰেক কৰাত সহায় কৰিব পাৰে
- বাস্তৱিকতাৰ উৰ্দ্ধত থাকি সমস্যা এটাৰ বিষয়ে ভবাত সহায় কৰে ফলত ভাবুকি কমি আহে।

সাধু এটা কৈ থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ লগত দৃষ্টি বিনিময় কৰক। সাধুৰ বিভিন্ন চৰিত্ৰ বাবে আপুনি বিভিন্ন ধৰণেৰে নিজৰ মাতটো ব্যৱহাৰ কৰে, সময় সাপেক্ষে চিঞৰি মাতৰ তীব্ৰতা কম বেছ কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে সাধু এটা উপভোগ কৰিব। উদাহৰণস্বৰূপে সাধুটোৰ মূল ঘটনাসমূহ অনুশীলন কৰক, যাতে, আপুনি কিতাপৰ সহায় নোলোৱাকৈ তাক মৌখিকভাৱে আপোনাৰ নিজৰ ভাষাত ক'ব পাৰে। সাধুটোক শ্ৰেণীলৈ আনিব তুলিবলৈ কিছুমান সামগ্ৰী যেনে কাপোৰ আদি আপুনি শ্ৰেণীলৈ আনিব পাৰে। আপুনি যেতিয়া সাধু এটা কবলৈ লয়, ইয়াৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰক আৰু তেওঁলোকে তাৰ পৰা কি শিকিব পাৰে সেই সম্পৰ্কে সজাগ কৰি তোলাক। আপুনি মূল শব্দাৱলীৰ অৱতাৰণা কৰিবলগীয়া হ'ব পাৰে অথবা সাধুকথাটো সমৰ্থন কৰিব পৰা ধাৰণা সম্পৰ্কে সাৱধান কৰি থবলগীয়া হ'ব পাৰে। পৰম্পৰাগত সাধু কথা কওঁতা এজনক আপুনি বিদ্যালয়লৈ আমন্ত্ৰণ জনাব পাৰে, কিন্তু মনত ৰাখক যে কি শিকিব লাগে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ লগতে কওঁতাজনো স্পষ্ট হৈ লয়।

সাধু কথা শুনাৰ বাদেও ই ছাত্ৰ-ছাত্ৰীৰ কেতবোৰ ত্ৰি য়াকলাপৰ বাবে উৎসাহিত কৰিব পাৰে। সাধু এটাত উল্লেখ কৰা সকলো ৰং লিখা, ছবি আঁকা, মূল ঘটনা মনত পেলোৱা, সংলাপ সৃষ্টি অথবা সাধুৰ সামৰণিটো সলনি কৰা আদি ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰে। তেওঁলোকক দলত ভাগ কৰিব পাৰে। এটা সাধু বিৰ্ষণ কৰি ছাত্ৰ-ছাত্ৰীক বাস্তৱৰ পৰা কল্পজগতখন চিনাক্ত কৰাব পাৰে, পৰিঘটনাৰ বাবে বৈজ্ঞানিক ব্যাখ্যা আগবঢ়োৱাৰ বাবে ক'ব পাৰে অথবা গাণিতিক সমস্যা সমাধান কৰিবলৈ ক'ব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে নিজাকৈ সাধু ক'বলৈ ব্যৱস্থা কৰাটোও এক শক্তি শালী উপায়। আপুনি যদি গাঁথনি, সূচী আৰু ভাষা তেওঁলোকক শিকাই দিয়ে তেন্তে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সাধু আনকি গণিত বা বিজ্ঞানৰ খুবেই টান ধাৰণাৰ বিষয়েও ক'ব পাৰে। ইয়াৰ প্ৰভাৱ এনেধৰণৰ যে তেওঁলোকে ধাৰণাৰ সৈতে খেলিছে. অৰ্থোদ্ধাৰ কৰিছে আৰু সিহঁতৰ সাধুৰ ৰূপকৰ দ্বাৰা বিমূৰ্ত বিষয় বোধগম্য কৰি তুলিছে।

## গীত (Songs)

শ্ৰেণীকোঠাত গীত আৰু সংগীতৰ ব্যৱহাৰে বিভিন্ন ছাত্ৰ-ছাত্ৰীক অৰিহণা যোগোৱা, সফল হোৱা আৰু উন্নতি কৰাৰ বাট মুকলি কৰিব। একেলগে গান গোৱাত এক বান্ধোনৰ প্ৰভাৱ থাকে আৰু ই সকলো ছাত্ৰ-ছাত্ৰীৰ মনত ঐক্যৰ অনুভৱ জগাই তুলিব পাৰে কিয়নো ব্যক্তি বিশেষ ৰূপে কৰা কামৰ ইয়াৰ গুৰুত্ব নাথাকে। গীতত থকা ছন্দ আৰু লয়ে সমগীত মনত ৰখা সহজ কৰে আৰু ভাষা আৰু উক্তিৰ বিকাশত সহায় কৰে।

আপুনি এজন আত্মবিশ্বাসী গায়ক নহ'ব পাৰে কিন্তু আপোনাৰ শ্ৰেণীত নিশ্চয় ভাল গান গোৱা ছাত্ৰ-ছাত্ৰী আছে যাক আপুনি আপোনাৰ সহায়ৰ বাবে আহ্বান জনাব পাৰে। গীতটো সজীৱ কৰি তোলাৰ বাবে আপুনি অংগ-ভংগী কৰিব পাৰে আৰু আপোনাৰ উদ্দেশ্য সিদ্ধি কৰাৰ উদ্দেশ্য শব্দ সলনি কৰিব পাৰে। তথ্য মনত ৰখা আৰু পুনঃস্মৰণ কৰাৰ এক উজু উপায় হৈছে গীত- আনকি ফৰ্মুলা আৰু তালিকা আদিও গীত বা কবিতাৰ ঠাচত বনাই ল'ব পাৰি। পুনৰ গঠনৰ বাবে গীত বা মন্ত্ৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ উদ্ভাৱনী গুণসম্পন্ন হ'ব পাৰে।

## চৰিত্ৰাভিনয় (Role play)

চৰিত্ৰাভিনয় হৈছে য'ত ছাত্ৰ-চাত্ৰীয়ে এটা চৰিত্ৰত অভিনয় কৰিবলৈ পায়, এটা ক্ষুদ্ৰ দৃশ্যপটত সেই চৰিত্ৰৰ আচৰণ আৰু উদ্দেশ্য অভিযোজন কৰি তেওঁলোকে অভিনয় কৰে আৰু সংলাপ কয়। কেনেধৰণৰ পাণ্ডুলিপি তেওঁলোকক যোগান ধৰা নহয় যদিও চৰিত্ৰটো সম্পৰ্কে যথেষ্ট তথ্য দিয়া উচিত যাতে তেওঁলোকে চৰিত্ৰটো ভালদৰে বুজি পায়। চৰিত্ৰাভিনয় কৰি থকা ছাত্ৰ-চাত্ৰীসকলক তেওঁলোকৰ ভাব আৱেগ স্বতঃস্ফূৰ্তভৱে প্ৰকাশ কৰিবলৈ উৎসাহিত কৰিব লাগে।

চাৰিত্ৰাভিনয়ৰ যথেষ্ট সুবিধা তাকে কিয়নো ই

- আন মানুহৰ আৱেগ উপলব্ধি কৰাৰ বাবে বাস্তৱ জীৱনৰ পৰিস্থিতি উদ্‌ঘাটন কৰে
- সিদ্ধান্ত লোৱাৰ লোৱাৰ কৌশল বিকাশত অৰিহণা যোগায়
- ছাত্ৰ-ছাত্ৰীক শিক্ষালাভত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আৰু সকলো ছাত্ৰ-ছাত্ৰীকে অৰিহণা যোগাবলৈ সমৰ্থৱান কৰে
- উচ্চ পৰ্যায়ৰ চিন্তাৰ বাবে উৎসাহ যোগায়

বিভিন্ন পৰ্যায়ৰ পৰিস্থিতিত কথা কোৱাৰ বাবে আত্মবিশ্বাস গঢ়ি তোলাত চৰিত্ৰাভিনয়ে শিশুক সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে, বিপণীত বস্তু ক্ৰয়ৰ ভাও লোৱা এটা স্থানীয় মঠলৈ পৰ্যটকক দিশ নিৰ্দেশনা দিয়া অথবা টিকট ক্ৰয় কৰা আদি। আপুনি সামান্য সামগ্ৰী লৈ সৰু সৰু দৃশ্যপট যেনে 'কেফে' 'ডাক্তৰৰ শৈল্য কিকিৎসা' অথবা গেৰেজ আদি তৈয়াৰ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীক সোধক 'ইয়াত কোনে কাম কৰে?' "তেওংলোকে কি কয়?" আৰু আমি তেওঁলোকক কি সোধো? হৈ চৰিত্ৰসমূহত অভিনয় কৰাৰ সময়ত পৰস্পৰৰ লগত কথা পাতিবলৈ দিয়ক আৰু তেওঁলোকৰ ভযোৰ ব্যৱহাৰ পৰ্যৱেক্ষণ কৰক।

ডাঙৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত চৰিত্ৰাভিনয়ে জীৱনৰ কৌশল আয়ত্ব কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, শ্ৰেণীত আপুনি সংঘৰ্ষ কেনেদৰে প্ৰশমিত কৰিব লাগে সেয়া উদ্‌ঘাটন কৰিব পাৰে। তাৰ পৰিৱৰ্তে আপোনাৰ বিদ্যালয় বা সমাজৰ সঁচা ঘটনা এটাৰ ব্যৱহাৰ কৰক, য'ত আপুনি একেটা বিষয়কে উপস্থাপনৰ বাবে একেধৰণৰ ভিন্ন দৃশ্যপট বৰ্ণনা কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীক চৰিত্ৰ বাচি দিয়ক বা নিজকে বাচি ল'বলৈ দিয়ক। আপুনি তেওঁলোকক পৰিকল্পনাৰ বাবে সময় দিব পাৰে নাইবা সেই চৰিত্ৰত তাৎক্ষণিকভাৱে অভিনয় কৰিবলৈ দিব পাৰে। চৰিত্ৰাভিনয় শ্ৰেণীত প্ৰদৰ্শন কৰিব পাৰি অথবা ছাত্ৰ-ছাত্ৰীয়ে অথবা সৰু দলত কাম কৰিব পাৰে। চৰিত্ৰাভিনয়ৰ অভিজ্ঞতা আৰু ই কি উদ্‌ঘাটন কৰে সেইটো জনাহে। আপুনি সু-নিপুণ অভিনেতা বা বলিউদ অভিনেতা বঁটাৰ বাবে কৰা নাই।

গণিত আৰু বিজ্ঞানতো চৰিত্ৰাভিনয় ব্যৱহাৰ কৰা সম্ভৱ। ছত্ত ৰ-ছাত্ৰীয়ে পৰমাণুৰ আচৰণৰ আৰ্হি তৈয়াৰ কৰিব পাৰে, কণা ৰ বৈশিষ্ট্যসমূহ চৰিত্ৰৰ দ্বাৰা ইজনে সিজনৰ লগত পতা কথা-বাৰ্তা ৰ দ্বাৰা অথবা তাপ বা পোহৰৰ প্ৰভাৱ দেখুৱাবলৈ তেওঁলোকৰ আচৰণৰ চৰিত্ৰ তৈয়াৰ কৰি এয়া কৰিব পাৰে। গণিতৰ ক্ষত্ৰত ছাত্ৰ-ছাত্ৰীয়ে কোণ আৰু আকৃতিৰ দ্বা ৰা সিবিলাকৰ গুণাগুণ আৰু সংযোগ উদ্‌ঘাটন কৰাৰ বাবে চৰিত্ৰাভিনয় কৰিব পাৰে।

## নাটক (Drama)

ছাত্ৰ-ছাত্ৰীক অভিৰুচিত কৰিবৰ বাবে শ্ৰেণীকোঠাত নাটকৰ ব্যৱহাৰ এটা ভাল কৌশল। নাটকে দক্ষতা আৰু শিকাৰুৰ বিকাশ ঘটায় আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে বিষয় এটাৰ বিষয়ে কি বুজি পায় সেয়া মূল্যায়ণ কৰাৰ বাবে এয়া ব্যৱহাৰ কৰিব পাৰি। মগজুৱে কেনেদৰে কাম কৰে সেয়া বুজাৰ উদ্দেশ্যে বাৰ্তা এটা কেনেদৰে মগজুৰ পৰা কাণ, নাক, হাচ আৰু মুখলৈ যায় আৰু ঘূৰি আহে সেয়া টেলিফোনৰ ভাও যোগে দেখুৱাব পাৰি। ইয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ মনত শুদ্ধ পদ্ধতি স্থায়ী কৰাৰ বাবে সহায় কৰিব পাৰে।

নাটক সদায় প্ৰদৰ্শনমূলক হয়, য'ত বাকী শ্ৰেণা, বিদ্যালয় অথবা অভিভাৱক অথবা সমাজৰ লোক দৰ্শক হ'ব পাৰে। এই লক্ষ্যই ছাত্ৰ-ছাত্ৰীক কিবা এটাৰ বাবে কাম কৰাৰ উৎসাহ দিয়ে। নাটক প্ৰস্তুত কৰাৰ দৰে সৃষ্টিশীল কামত গোটেই শ্ৰেণীটোৱেই জড়িত হৈ থাকিব লাগে। আত্মবি ধাসৰ স্তৰৰ পাৰ্থক্য বিবেচনা কৰাতো প্ৰয়োজনীয়। প্ৰতিজনেই অভিনেতা হোৱাৰ প্ৰয়োজন নাই। ছাত্ৰ-ছাত্ৰীয়ে অন্য ধৰণেও অৰিহণা আগবঢ়াব পাৰে (সংগঠন বা আয়োজন কৰি, সাজ-সজ্জা, সামগ্ৰী, সঞ্চৰ কাম) যিবোৰ কাম তেওঁলোকৰ প্ৰতিভাৰ সৈতে মিলে।

আপোনাৰ চাত্ৰ-ছাত্ৰীক সহা কৰাৰ বাবে আপুনি কিয় নাটক ব্যৱহাৰ কৰি আছে সেয়া বিবেটনা কৰাতো প্ৰয়োজনীয়। এয়া ভাষা (উদাহৰণস্বৰূপে, প্ৰ ন সোধা আৰু উত্তৰ দিয়া) বিষয়বস্তুৰ বিজ্ঞান (যেনে- খননৰ পৰা পৰিৱেশৰ ওপৰত প্ৰভাৱ) অথবা বিশেষ কৌশল আয়ত্ব কৰা (উদাহৰস্বৰূপে দলীয় কাম) বা বিকাশৰ বাবে নেকি? প্ৰদৰ্শনৰ প্ৰতি লক্ষ্য ৰাখোতে নাটকৰ শিক্ষণ উদ্দেষ্য যাতে নেহেৰুৱায় তাৰ বাবে সাৰধান হওক।

## সমল 3 ঃ শ্ৰেণীকোঠাত কৰ্ম গৱেষণাৰ পাতনি (Resource 3: An introduction to action research in the classroom)

Ben Goldcare (2013) এ তৰ্ক কৰে যে শিক্ষণ এক প্ৰমাণ ভিত্তিক বৃত্তি হোৱা উচিত আৰু তেতিয়াহে শিশুৰ ভাল ফলাফলত হৈ নেতৃত্ব দিব পাৰিব। তেওঁ বিশেষভাৱে পৰামৰ্শ দিয় যে শিক্ষণ সংস্কৃতিত এক পৰিৱৰ্তনৰ প্ৰয়োজন, য'ত শিক্ষক আৰু ৰাজনীতিবিদ সকলে চিনাত্ত কৰে যে, কি কাম কৰিলে আটাইতকৈ ভাল হ'ব আমি প্ৰয়োজনীয়ভাৱে নাজানো - যিধৰণৰ কাম হৈছে সেয়া যে সফল হৈছে আৰু আমাক প্ৰমাণৰ প্ৰয়োজন।

ধাৰণা হৈছে যে প্ৰমাণ ভিত্তিক অনুশীলন এটা ভাল আৰু Goldcare যুক্তি দিয়া বা ওকালতি কৰা পৰিৱৰ্তন, শিক্ষকসকলে নিজৰ অনুশীলনৰ ওপৰত কৰা গৱেষমাৰ দ্বাৰা নিহিত হৈ থাকে তাত এটো চিহি ত হয় যে বিদ্যালয়ৰ উন্নতিত ই অৱদান আগবঢ়াব পাৰে।

শিক্ষক হিচাবে আপোনাৰ নিজৰ শ্ৰেণীত এটা অধ্যয়ন লওক। এইটো তুলনামুলকভাৱে কম সময় আৰু কম খৰচী হ'ব লাগে আৰু এই প্ৰসংগত কাৰ্য গৱেষমা পদ্ধতিয়ে ভাল কাম কৰে। অনুশীলনকাৰীসকলৰ নিজা অনুশীলনত পদ্ধতিগত অনুসন্ধান কৰাত কৰ্ম গৱে,ণা জড়িত থাকে আৰু উন্নতি কৰাৰ দৃষ্টিৰে ইয়াক কৰা হয়।




চিত্ৰ R 3.1কৰ্ম গৱেষণা বৃত্ত

কৰ্ম গৱেষণাই তলৰ স্তৰকেইটাক জড়িত কৰে

আপোনাৰ বিদ্যালয়ত সমাধান কৰিব বিচৰা এটা সমস্যাৰ চিনাক্ত কৰণঃ

এইটো কিবা এটা বিশেষ ধৰণৰ হ’বই লাগিব। যেনে নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীয়ে কিয় প্ৰ.নৰ উত্তৰ নিদিয়ে, নাইবা আপোনাৰ বিষয়ৰ কঠিন বা অভিৰুচিত নোহোৱা এটা দিশ বিচাৰি লওক, নাইবা ই তেনেই সাধাৰণ হ’বও পাৰে যেনে দলীয় কাৰ্য ফলপ্ৰসূভাবে কেনেকৈ সংগঠিত কৰিব।

- উদ্দেশ্যটো নিৰ্ধাৰণ কৰা আৰু আপুনি কিদৰে হস্তক্ষেপ কৰিব সেয়া কৰক সাক্ষৰতা আলোচনা আৰু এই বিষয় (সাক্ষৰতা) তিমধ্যে কি জানে তাক বিচাৰি উলিওৱাৰ লগত ই জড়িত হ’ব।
- বিষয়টো নিষ্পত্তি কৰিবৰ বাবে হস্তক্ষেপৰ নক্সাৰ পৰিকল্পনা
- ব্যৱহাৰিক তথ্য আৰু ইয়াৰ বি ষণ
- অন্য এক মধ্যস্থতাৰ বাব পৰিকল্পনাঃ আপুনি চিনাক্ত কৰা বিষয়টোক লৈ ভৱিষ্যত বোধৰ বাবে কি নক্সা কৰিব আৰু আপুনি কি বিচাৰে তাৰ ওপৰতে ভিত্তি কৰিব।

কৰ্ম গৱেষণা এটা বৃত্তীয় প্ৰক্ৰি য়া (চিত্ৰ R 3.1)। পুনঃপুনঃ হস্তক্ষেপ আৰু বি ষণৰ জৰিয়তে আপুনি বিষয় বা সমস্যাটো বুজিব পৰা হ’ব আৰু এইটোৰ বিষয়ে কিবা এটা কৰিব পাৰিব।




চিত্ৰ R 3.2 এ বিভিন্ন তথ্য সংগ্ৰহ পদ্ধতিৰ এটা চমু ৰুপৰেখা দাঙি ধৰিছে

আপুনি বিচাৰি উলিওৱাখিনিৰ ওপৰত দৃঢ় হ'বৰ বাবে তথ্যৰ বিভিন্ন উযসৰ পৰা প্ৰমাণৰ প্ৰয়োজন হ'ব। প্ৰতিটো পদ্ধতিৰে সুবিধা আৰু সীমাবদ্ধতা আছে। আপোনাৰ সীমাবদ্ধতা কমাবৰ বাবে আপুনি কেনেধৰণে কাম কৰিব নিশ্চিত কৰক।

- আপুনি সংগ্ৰহ কৰা তথ্যৰ বৈধ্যতা আৰু নিৰ্ভৰযোগ্যতা এই দুয়োটাকে আপুনি বিবেচনা কৰাৰ প্ৰয়োজন। কিছুমান তথ্য যদি বৈধ হয় তাৰ মানে ই সত্য আৰু বিশ্বাযোগ্য বুলি বিবেচিত হয়। বৈধতাৰ পৰীক্ষণৰ বাবে তলৰ প্ৰশ্নবোৰ সোধোতে উপযোগী
- ফলাফলবোৰ সাধাৰণীকৰণ কৰিব পাৰেনে? যিয়ে আপোনাৰ গৱেষণাৰ বিষয়ে পঢ়িছে বা শুনিছে তেওঁ নিশ্চয় তেওঁলোকৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি কৰা বুলি নিশ্চয় পতিয়ন যাব। তেতিয়া ই বিশ্বাসযোগ্য আৰু সংবেদনশীল
- তথ্যই সামৰণিক সমৰ্থন দিয়েনে? এইটো বোৱাৰ সম্ভাৱনা বেছি হয় যেতিয়া সময় সামৰি বহুতো উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হয় নাইবা যদি বিচাৰি লোৱা (তথ্য) খিনি অংশগ্ৰহণকাৰীসকলৰ সৈতে পৰীক্ষা কৰে
- গৱেষণা প্ৰশ্নবোৰৰ সৈতে প্ৰশ্নাৱলী নাইবা সাক্ষাৎকাৰৰ প্ৰশ্নসমূহ স্পষ্টকৈ সম্পৰ্কিত নে?

নিৰ্ভৰযোগ্যতা এটা জটিল ধাৰণা যেতিয়া ইয়াক পুনঃপুনঃ আৰু পুনৰ পৰীক্ষণেৰে কৰা হয়। নিৰ্ভৰযোগ্যতাই উত্তৰদাতা সকলৰ বাস্তৱ জীৱন অবিকৃততা, বিশ্বাসযোগ্যতা আৰু অৰ্থপূৰ্ণতাক সামৰি লয়। Cohen et al (2003) এ পৰামৰ্শ দিয়ে যে নিৰ্ভৰযোগ্য তাৰ ধাৰণা "নিৰ্ভৰযোগ্যতা" (dependability) হিচাবে গঠন হ'ব লাগে আৰু "নিৰ্ভৰযোগ্যতা" (dependability) আহৰণ নিৰ্ভৰ কৰা উপাদানবোৰ হৈছে যথেষ্ট তথ্য সংগ্ৰহ অংশগ্ৰহণকাৰীৰ লগত আপুনি বিচাৰি উলিওৱা (তথ্য) ৰ পুনৰীক্ষণ, আৰু একেই ধাৰণাৰ বাবে এটাতকৈ অধিক তথ্যৰ প্ৰমাণ বিচাৰা।

(Adapted from *Learning to teach: an introduction to classroom research*)

## উৎস 4 ঃ কৰ্ম পৰিকল্পনাৰ বাবে চানেকি Resource 4: Template for action planning

| শিক্ষকৰ নাম | | | |
|---|---|---|---|
| তাৰিখ | | | |
| প্ৰয়োজনীয়তা চিনাক্ত কৰণ বা ব্যৱহাৰ কৰি থকা কৌশল | প্ৰয়োজনীয়তা কেনেকৈ পাব পাৰি | কোন জড়িত | কেতিয়া |
| | | | |
| অন্যান্য টোকা | | | |
| বিদ্যালয় মুৰব্বীৰ চহী | | | |

# Additional resources

- ‘10 professional development ideas for teachers’: http://www.theguardian.com/teacher-network/teacher-blog/2013/oct/22/teacher-professional-development-school-advice
- *Learning to teach: an introduction to classroom research*, an Open University OpenLearn unit: http://www.open.edu/openlearn/education/learning-teach-introduction-classroom-research/content-section-0
- ‘How principles can grow teacher excellence’ by Mariko Norobi: http://www.edutopia.org/stw-school-turnaround-principal-teacher-development-tips
- ‘What is teacher development?’ by Linda Evans: http://www.education.leeds.ac.uk/assets/files/staff/papers/What-is-teacher-Development.pdf
- ‘Theories on and concepts of professionalism of teachers and their consequences for the curriculum in teacher education’ by Marco Snoek:http://kennisbank.hva.nl/document/477245

# References/bibliography

Ball, A.F. (2009) ‘Toward a theory of generative change in culturally and linguistically complex classrooms’, *American Educational Research Journal*, vol. 46, no. 1, pp. 45–72.

Borko, H. (2004) ‘Professional development and teacher learning: mapping the terrain’, *Educational Researcher*, vol. 33, no. 8. Available from: http://www.aera.net/uploadedFiles/Journals_and_Publications/Journals/Educational_Researcher/Volume_33_No_8/02_ERv33n8_Borko.pdf (accessed 30 July 2014).

Cohen, L., Manion, L. and Morrision, K. (2000) *Research Methods in Education*. London: RoutledgeFalmer.

Day, C. (1993) ‘reflection: a necessary but not sufficient condition for professional development’,*British Educational Research Journal*, vol. 19, no. 1, pp. 83–93.

Eraut, M. (2004) 'Informal learning in the workplace', *Studies in Continuing Education*, vol. 26, no. 2, pp. 247–73.

Goldacre, B. (2013) 'Building evidence into education' (online), March. Available from: http://dera.ioe.ac.uk/17530/1/ben%20goldacre%20paper.pdf (accessed 20 November 2014).

Haigh, N. (2005) 'Everyday conversation as a context for professional learning and development', *International Journal for Academic Development*, vol. 10, no. 1.

Hudson, P., Usak, M. and Savran-Gencer, A. (2013) 'Employing the five-factor mentoring instrument: analysing mentoring practices for teaching primary science', *European Journal of Teacher Education*, vol. 32, no. 1, pp. 63–74.

*Learning to teach: an introduction to classroom research*, Open University OpenLearn unit. Available from: http://www.open.edu/openlearn/education/learning-teach-introduction-classroom-research/content-section-0 (accessed 22 October 2014).

National Council of Educational Research and Training (2005) *National Curriculum Framework*, National Council of Educational Research and Training. Available from: http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf (accessed 25 September 2014).

National University of Educational Planning and Administration (2014) *National Programme Design and Curriculum Framework*. New Delhi: NUEPA. Available from: https://xa.yimg.com/kq/groups/15368656/276075002/name/SLDP_Framework_Text_NCSL_NUEPA.pdf (accessed 14 October 2014).

Ulvik, M. and Sunde, E. (2013) 'The impact of mentor education: does mentor education matter?',*Professional Development in Education*, vol. 39, no. 5, pp. 754–70.

Zwarta, R.C., Wubbelsb, T., Bergena, T.C.M. and Bolhuisc, S. (2007) 'Experienced teacher learning within the context of reciprocal peer coaching', *Teachers and Teaching: Theory and Practice*, vol. 13, no. 2, pp. 165–87. Available from: http://expertisecentrumlerenvandocenten.nl/files/TTTP_collegiale_coaching_0.pdf (accessed 2 August 2014).

# Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.